**ধানোৱাৰক ডিব্ৰুগড়ত আদৰণি**

ই-সংবাদ, ডিব্ৰুগড়, ৩০ ছেপ্টেম্বৰঃ আম আদমী পাৰ্টীৰ অসম প্ৰদেশৰ নৱ-নিযুক্ত সভাপতি ৪ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, OCTOBER 01, 2024 ■ মঙলবাৰ।। ১৪ আহিন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬৯ Guwahati, Assam ।। মূল্যঃ এটকা

# পেৰুৰ ৰে'লক ভাৰতৰ ৰে'ল বুলি প্ৰচাৰ স্বয়ং ৰে'লমন্ত্ৰীৰ

**ই-সংবাদ বিশেষ, ৩০ ছেপ্টেম্বৰঃ** নৰেন্দ্ৰ মোদী চৰকাৰৰ ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ বাৰে বাৰে বিতৰ্কত সোমাই পৰে। বিতৰ্কত সোমাই পৰাৰ কাৰণ হৈছে তেওঁৰ কাম-কাজৰ প্ৰচাৰৰ বাবে তৈয়াৰ কৰা ৰীল। প্ৰায়ে ৰীল আপলোড কৰি সামাজিক মাধ্যমত ভাৰতীয় ৰে'ল সেৱাৰ বিভিন্ন




সফলতাৰ বিষয়ে প্ৰচাৰ কৰে অশ্বিনী বৈষ্ণৱে। প্ৰায়ে ৰে'ল দুৰ্ঘটনা সংঘটিত হৈ অহাত ৰে'ল মন্ত্ৰীগৰাকীৰ ৰীল প্ৰচাৰক বিৰোধীয়ে প্ৰায়ে আক্ৰমণ কৰে। লোকসভাত বিৰোধীয়ে ইতিকিং কৰি ৰে'ল মন্ত্ৰীগৰাকীক ৰীল মন্ত্ৰী বুলি কৈছিল। কিন্তু এইবাৰ সঁচাকৈ ৰীল প্ৰচাৰ কৰি বিপদত শেষাংশ ৪ পৃষ্ঠাত

## আদালত অৱমাননা, তিনি সপ্তাহৰ ভিতৰত উত্তৰ দিবলৈ নিৰ্দেশ

# উচ্চতম ন্যায়ালয়ৰ অসম চৰকাৰক ধমক





**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰঃ** উচ্চতম ন্যায়ালয়ৰ ধমকত এতিয়া থৰকাছুটি হেৰুৱাইছে আইন-আদালতকো আওকাণ কৰি কেৱল বিভাজনৰ ৰাজনীতিত মত্ত হৈ পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ২ পৃষ্ঠাত চাওক

# নেদেখাজনক ৰাজনীতিৰ পৰা দূৰত ৰাখক! চন্দ্ৰবাবু নাইডুক ক'লে ক'টে

**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰঃ** অন্ধ্ৰপ্ৰদেশৰ প্ৰসিদ্ধ তিৰুপতি বালাজী মন্দিৰৰ প্ৰসাদৰ লাড়ু বিতৰ্কক লৈ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুক তীক্ষ্ণ প্ৰশ্নবান দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ। মন্দিৰৰ প্ৰসাদৰ লাড়ুত জন্তুৰ চৰ্বি মিহলোৱা হৈছে শেষাংশ ২ পৃষ্ঠাত

# হিমন্ত বিশ্ব চৰকাৰৰ সৈতে বৈঠক কৰিবলৈ আকোঁৰগোজ আছু

## জৰুৰী বৈঠকৰ অন্তত জনালে সিদ্ধান্তৰ কথা

**ই-সংবাদ, ৩০ ছেপ্টেম্বৰঃ** ৰাজ্যৰ বিশিষ্ট নাগৰিক, প্ৰাক্তন আছু নেতা, শিক্ষাবিদ আদিয়ে ২৫ ছেপ্টেম্বৰৰ আছু আৰু অসম চৰকাৰৰ বৈঠকক সমালোচনা কৰাত অৱশেষত সদৌ অসম ছাত্ৰ সন্থাই কাৰ্যনিৰ্বাহক আৰু শেষাংশ ৩ পৃষ্ঠাত





# দাদাচাহেব ফাল্কে পুৰস্কাৰ 'মিঠুনদা'লৈ

**মুম্বাই, ৩০ ছেপ্টেম্বৰঃ** ভাৰতীয় চলচ্চিত্ৰ জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দাদাচাহেব ফাল্কে বঁটাৰে সন্মানিত কৰা হ'ব বলীউডৰ শেষাংশ ৪ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান

# এনআৰচিক লৈ ক্ষুব্ধ সুস্মিতা

**ই-সংবাদ, ৩০ ছেপ্টেম্বৰঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈছে ৰাজ্যসভাৰ সাংসদ তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী সুস্মিতা দেৱ। এদিন পূৰ্বে কামৰূপ মহানগৰৰ জিলা আয়ুক্তই দুৰ্গা পূজাত অসমীয়া ভাষা ব্যৱহাৰৰ শেষাংশ ৪ পৃষ্ঠাত

# বানৰ সংহাৰ, নেপালত নিহত দুই শতাধিক

**কাঠমাণ্ডু, ৩০ ছেপ্টেম্বৰঃ** প্ৰাকৃতিক দুৰ্যোগে বিভীষিকা নমাই অনা নেপালত নিহতৰ সংখ্যাই ২০০ৰ ঘৰ পাৰ কৰিছে। ৰাষ্ট্ৰখনত প্ৰবল বৰষুণৰ পিছত উদ্ভৱ হোৱা ভয়াৱহ বান আৰু শেষাংশ ৩ পৃষ্ঠাত

# অসম আৰক্ষীত বিষয়াৰ অভাৱ! অৱসৰ সত্বেও ২ বিষয়াৰ কাৰ্যকাল বৃদ্ধি

**ই-সংবাদ, ৩০ ছেপ্টেম্বৰঃ** অসম আৰক্ষীৰ উচ্চপদস্থ বিষয়াক আজি অৱসৰ গ্ৰহণৰ দিনটোতে চৰকাৰে বিশেষ উপহাৰ প্ৰদান কৰিছে।





ৰাজ্য চৰকাৰে আৰক্ষী বিষয়াক অৱসৰৰ দিনটোত চাকৰিৰ পৰা বিদায় দিয়াৰ পৰিৱৰ্তে চাকৰিৰ কাৰ্যকাল শেষাংশ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উচ্চতম ন্যায়ালয়ৰ অসম চৰকাৰক

অসম চৰকাৰৰ। সমগ্ৰ দেশত আদালতৰ আগতীয়া অনুমতি অবিহনে বুলড'জাৰ লগাই কোনো উচ্ছেদকাৰ্য চলাব নোৱাৰিব বুলি দিয়া অন্তৰ্বৰ্তীকালীন নিৰ্দেশৰ পিছতো উচ্ছেদ কাৰ্য চলোৱাৰ পিছতে আজি অসম চৰকাৰলৈ আদালত অৱমাননাৰ জাননী প্ৰেৰণ কৰিছে সৰ্বোচ্চ আদালতে। লগতে সোণাপুৰৰ কচুতলীত পুনৰ উচ্ছেদ চলাবলৈ যো-জা চলোৱা অসম চৰকাৰক এই উচ্ছেদ অভিযান স্থগিত ৰাখি স্থিতাৱস্থা বাহাল ৰাখিবলৈকো নিৰ্দেশ দিয়ে সৰ্বোচ্চ ন্যায়ালয়ে। লগতে এই সন্দৰ্ভত চৰকাৰলৈ জাননী জাৰি কৰি তিনি সপ্তাহৰ ভিতৰত উত্তৰ দাখিল কৰিবলৈও নিৰ্দেশ দিয়ে আদালতে। উল্লেখ্য যে, সোণাপুৰ অঞ্চলৰ ৪০ জনৰো অধিক বাসিন্দাই আগতীয়া অনুমতি অবিহনে সমগ্ৰ দেশতে উচ্ছেদ প্ৰক্ৰিয়া স্থগিত ৰাখিবলৈ শীৰ্ষ ন্যায়ালয়ৰ অন্তৰ্বৰ্তীকালীন আদেশৰ ইচ্ছাকৃত উলংঘনৰ অভিযোগ উত্থাপন কৰি আবেদন দাখিল কৰিছিল। এই আবেদনৰ ভিত্তিত উচ্চতম ন্যায়ালয়ে এই নিৰ্দেশ প্ৰদান কৰে। বিষয়টো সন্দৰ্ভত ন্যায়ালয়ত আবেদনকাৰীক প্ৰতিনিধিত্ব কৰে জ্যেষ্ঠ অধিবক্তা হুজেফা আহমেদীয়ে। আনহাতে, ন্যায়াধীশ বি আৰ গৱাই আৰু কে ভি বিশ্বনাথনৰ বিচাৰপীঠে শীৰ্ষ ন্যায়ালয়ৰ পূৰ্বৰ আদেশ উলংঘা কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষৰ বিৰুদ্ধে অৱমাননাৰ প্ৰক্ৰিয়া বিচাৰি কৰা আবেদনৰ ওপৰত অসম চৰকাৰ আৰু অন্যান্যসকলক জাননী জাৰি কৰে। আদালতে কয়, "জাননী জাৰি কৰা হওক। ইয়াৰ মাজতে কৰ্তৃপক্ষসমূহে স্থিতাৱস্থা বজাই ৰাখিব লাগিব।" প্ৰণিধানযোগ্য যে, সোণাপুৰ অঞ্চলৰ ৪০ জনৰো অধিক বাসিন্দাই এই বছৰৰ ১৭ ছেপ্টেম্বৰৰ আদালতৰ অন্তৰ্বৰ্তীকালীন আদেশৰ ইচ্ছাকৃত উলংঘনৰ অভিযোগ উত্থাপন কৰি শীৰ্ষ আদালতত আবেদন জনাইছিল। উল্লেখ্য, উচ্চতম ন্যায়ালয়ৰ অন্তৰ্বৰ্তীকালীন আদেশত আগতীয়া অনুমতি অবিহনে সমগ্ৰ দেশতে কোনো উচ্ছেদ কাৰ্য সংঘটিত হ'ব নালাগে বুলি উল্লেখ কৰিছিল। কিন্তু এই আদেশ সত্ত্বেও ৰাজ্য চৰকাৰ তথা স্থানীয় কৰ্তৃপক্ষই সোণাপুৰৰ কচুতলী গাঁৱত উচ্ছেদ অভিযান আৰম্ভ কৰে। তাৰেই পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ বাসিন্দাসকল উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। অধিবক্তা আদিল আহমেদৰ জৰিয়তে দাখিল কৰা আবেদনত আবেদনকাৰীসকলে উচ্চতম ন্যায়ালয়ৰ পূৰ্বৰ আদেশৰ ইচ্ছাকৃত উলংঘন আৰু ইচ্ছাকৃত অৱমাননাৰ বাবে অভিযুক্তসকলৰ বিৰুদ্ধে আদালত অৱমাননাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ অনুৰোধ জনায়। আবেদনকাৰীয়ে লগতে উল্লেখ কৰে যে সংশ্লিষ্ট কৰ্তৃপক্ষই উচ্ছেদৰ বাবে আদালতে প্ৰদান কৰা আদেশ অনুসৰণ কৰা নাই। লগতে উচ্ছেদ বা ধ্বংসৰ বিষয়টো উল্লেখ কৰি কোনোধৰণৰ জাননী বা পত্ৰ প্ৰেৰণ নকৰাকৈ আবেদনকাৰীসকলৰ দেৱালত ৰঙা ৰঙৰ ষ্টিকাৰ বা ৰঙা পতাকা লগোৱা হৈছে।

ফাৰুক আহমেদকে ধৰি আন আবেদনকাৰীসকলে কয় যে তেওঁলোকে বহু বছৰ ধৰি কামৰূপ মহানগৰ জিলাৰ সোণাপুৰ মৌজাৰ অন্তৰ্গত কচুতলী পথাৰ, কচুতলী আৰু কচুতলী ৰাজহ গাঁৱত বাস কৰি আহিছে। আবেদনকাৰীসকলে লগতে কয় যে তেওঁলোকে উক্ত ভূমিবোৰত 'পাৱাৰ অব এটৰ্ণী' সূত্ৰে লাভ কৰা ভূমি অধিকাৰৰ দলিলৰ ভিত্তিত তাত বাস কৰি আহিছে আৰু উক্ত ভূমিবোৰৰ দখল মূল পট্টাদাৰসকলে তেওঁলোকৰ নামত কৰি দিছে। আবেদনকাৰীসকলে লগতে কয় যে তেওঁলোক উক্ত ভূমিবোৰৰ গৰাকী নহয় বা তেওঁলোকৰ কোনো মালিকীস্বত্বৰ অধিকাৰ নাই যদিও তেওঁলোকে দীৰ্ঘসময়ৰ পৰা তাত বাস কৰি আছে আৰু পাৱাৰ অব এটৰ্নি ডকুমেণ্টৰ দ্বাৰা উক্ত ভূমিবোৰ লাভ কৰিছে। এই প্ৰক্ৰিয়া আইনীভাৱে বৈধ প্ৰক্ৰিয়া বুলিও আবেদনকাৰীয়ে উল্লেখ কৰে। ইয়াৰোপৰি তেওঁলোকে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এই বছৰৰ ২০ ছেপ্টেম্বৰৰ আদেশৰো উদ্ধৃতি দিয়ে। উচ্চ ন্যায়ালয়ৰ এই আদেশত মহাধিবক্তাই মৌখিক প্ৰতিশ্ৰুতি দিছিল যে ৩ ফেব্ৰুৱাৰী, ২০২০ তাৰিখৰ আদেশত উচ্চতম ন্যায়ালয়ে নিৰ্দেশ দিয়া ধৰণে প্ৰতিনিধিত্ব নিষ্পত্তি নোহোৱালৈকে আবেদনকাৰীসকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নহ'ব। আবেদনকাৰীসকলে লগতে দাবী কৰে যে তেওঁলোকে প্ৰজন্মৰ পিচত প্ৰজন্ম ধৰি প্ৰায় সাত-আঠ দশক উক্ত অনুসূচিত ভূমিত বাস কৰি আহিছে। কিন্তু তেওঁলোকে কেতিয়াও কাষৰীয়া অঞ্চলত বাস কৰা জনজাতীয় বা সংৰক্ষিত লোকসকলৰ সৈতে কোনো বিবাদ বা সংঘৰ্ষত লিপ্ত হোৱা নাই। তেওঁলোকে সামাজিক হওক বা বাণিজ্যিক, শান্তিপূৰ্ণভাৱে আৰু সকলো সম্প্ৰদায়ৰ লোকৰ সৈতে সু-সম্পৰ্ক বৰ্তাই ৰাখি তাত বসবাস কৰি আহিছে। লগতে উল্লেখ কৰে যে তেওঁলোকৰ বিৰুদ্ধে কেতিয়াও কোনো প্ৰতিবাদ হোৱা নাই। কিন্তু তাৰ বিপৰীতে চৰকাৰী কৰ্তৃপক্ষই তেওঁলোকক কোনো ধৰণৰ আগতীয়া জাননী অবিহনে উচ্ছেদৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে আৰু আবেদনকাৰীৰ বাসগৃহৰ দেৱালত চিন দিছে, যিবোৰ কোনো জাননী অবিহনে উচ্ছেদ বা ভাঙি পেলোৱা হ'ব। নিজৰ আবেদনত আবেদনকাৰীয়ে এই কথাও উল্লেখ কৰে যে জিলা প্ৰশাসন কৰ্তৃপক্ষই তেওঁলোকে জনজাতীয় বা সংৰক্ষিত শ্ৰেণীৰ ভূমি অবৈধভাৱে অধিকাৰ কৰি আছে বা তেওঁলোকে বেদখল কৰি আছে বুলি উল্লেখ কৰিছে। কিন্তু তেওঁলোকে উক্ত ভূমিতহে বাস কৰি আছে, যিবোৰত তেওঁলোকক প্ৰকৃত পট্টাদাৰসকলে বাস কৰিবলৈ অনুমতি দিছে। আনহাতে, পাৱাৰ অব এটৰ্ণী কাৰ্যকৰী কৰাৰ পিছতহে তেওঁলোকৰ ভূমিত ঘৰ নিৰ্মাণ কৰিছে। অৱশ্যে আবেদনত এই কথাও উল্লেখ কৰা হৈছে যে উক্ত ভূমিবোৰ আবেদনকাৰীসকলক বিক্ৰী কৰা হোৱা নাছিল আৰু আবেদনকাৰীসকলেও কেতিয়াও উক্ত ভূমিবোৰৰ ওপৰত কোনো মালিকীস্বত্ব বা অধিকাৰ দাবী কৰা নাছিল। প্ৰণিধানযোগ্য যে, যোৱা সপ্তাহত জিলা প্ৰশাসনে সোণাপুৰৰ অনুসূচিত ভূমিত বসবাস কৰা একাংশ মুছলমান সম্প্ৰদায়ৰ লোকৰ বাসগৃহ উচ্ছেদ কৰে। উক্ত লোকসকলক বিদেশী বা সন্দেহযুক্ত নাগৰিক বুলিও অভিহিত কৰে একাংশ বিজেপি নেতাই। সেই উচ্ছেদৰ সময়ত সৃষ্টি হোৱা অপ্ৰীতিকৰ পৰিস্থিতিৰ ফলত আৰক্ষীৰ গুলীত দুজন লোক নিহত হোৱাৰ লগতে শিশুসহ আন বহুজন আহতও হয়। একেসময়তে কেইবাগৰাকী আৰক্ষী বিষয়া-জোৱানো আহত হয়। ইয়াৰ পিছতো কচুতলিৰ লগতে ভিন্ন প্ৰান্তত উচ্ছেদ অভিযান অব্যাহত ৰাখে অসম চৰকাৰে। এনে পৰিপ্ৰেক্ষিততে এতিয়া সৰ্বোচ্চ আদালতৰ ধমক খাবলগীয়াত পৰিছে অসম চৰকাৰ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নেদেখাজনক ৰাজনীতিৰ পৰা

বুলি এক গুৰুতৰ অভিযোগ তুলি ৰাজনৈতিক বিতৰ্কৰ সূচনা কৰিছিল মুখ্যমন্ত্ৰী নাইডুৱে। ইয়াৰ পিছতে সোমবাৰে এই সন্দৰ্ভত দাখিল কৰা এক আবেদনৰ শুনানি গ্ৰহণ কৰি ধৰ্ম আৰু ৰাজনীতিক পৃথকে ৰাখিবলৈ চৰকাৰক আহ্বান জনায় উচ্চতম ন্যায়ালয়ে। উল্লেখ্য যে, কিছুদিন পূৰ্বে তিৰুপতি মন্দিৰৰ প্ৰসাদৰ লাড়ুক লৈ ৰাজনৈতিক বিতৰ্কৰ সূত্ৰপাত ঘটাইছিল মুখ্যমন্ত্ৰী নাইডুৱে। ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জগনমোহন ৰেড্ডীক আক্ৰমণ কৰি গুজৰাটৰ এটা পৰীক্ষাগাৰৰ প্ৰতিবেদনৰ উদ্ধৃতি দি মন্দিৰৰ প্ৰসাদৰ লাড়ুত গৰু আৰু গাহৰিৰ চৰ্বি ব্যৱহাৰ কৰাৰ অভিযোগ কৰিছিল নাইডুৱে। মুখ্যমন্ত্ৰীগৰাকীৰ এনে বিস্ফোৰক অভিযোগৰ পিছতে দেশজুৰি ভেংকটেশ্বৰ মন্দিৰৰ প্ৰসাদৰ লাড়ুক লৈ বিতৰ্ক আৰম্ভ হয়। ইফালে, সোমবাৰে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ বি আৰ গাভাই আৰু ন্যায়াধীশ কে ভি বিশ্বনাথনৰ বিচাৰপীঠে লাড়ু বিতৰ্কৰ গোচৰৰ শুনানি গ্ৰহণ কৰে। সেই শুনানিতে মুখ্যমন্ত্ৰী নাইডুক তীক্ষ্ণ প্ৰশ্নবানেৰে থকাসৰকা কৰে ন্যায়ালয়ে। ন্যায়ালয়ে প্ৰশ্ন কৰে, "যেতিয়া আপুনি (অন্ধ্ৰ প্ৰদেশ চৰকাৰে) বিশেষ তদন্তকাৰী দল (এছআইটি) গঠন কৰি তদন্তৰ নিৰ্দেশ দিছেই, তেন্তে সাংবাদিকসকলৰ সৈতে মুখামুখি হোৱাৰ প্ৰয়োজনীয়তা কি আছিল?' আদালতে লগতে প্ৰশ্ন কৰে, "লাড়ু প্ৰস্তুত কৰাত যে ঘিউ ব্যৱহাৰ কৰা হৈছিল, তাৰ প্ৰমাণ ক'ত?'' আনহাতে লাড়ুত জন্তুৰ চৰ্বি ব্যৱহাৰ কৰাৰ অভিযোগ 'মিছা' প্ৰমাণিত হোৱাৰ সম্ভাৱনাৰ ওপৰতো মন্তব্য কৰে সৰ্বোচ্চ ন্যায়ালয়ে। মুখ্যমন্ত্ৰীক উদ্দেশ্যি ন্যায়ালয়ে কয়, "যেতিয়ালৈকে আপুনি (চন্দ্ৰবাবু নাইডু) সাংবিধানিক পদত আছে, তেতিয়ালৈকে আপুনি ভগৱানক ৰাজনীতিৰ পৰা আঁতৰাই ৰাখিব বুলি আমি আশা কৰিছোঁ।" মন কৰিবলগীয়া যে, তিৰুপতিৰ এই প্ৰসাদৰ লাড়ু বিতৰ্কক লৈ চন্দ্ৰবাবুৰ আক্ৰমণৰ লক্ষ্য আছিল প্ৰাক্তন মুখ্যমন্ত্ৰী জগনমোহন ৰেড্ডী। অৱশ্যে ৰেড্ডী আৰু তেওঁৰ দল ৱাই এছ আৰ কংগ্ৰেছে এই অভিযোগ এক ৰাজনৈতিক চক্ৰান্ত বুলি দাবী কৰি পোনচাটেই নাকচ কৰিছে। এই সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীলৈও এখন পত্ৰ লিখিছে জগনমোহন ৰেড্ডীয়ে। এই পত্ৰত নাইডুৱে তিৰুপতিৰ পবিত্ৰতা ধ্বংস কৰা বুলিও অভিযোগ কৰে প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীয়ে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব চৰকাৰৰ সৈতে বৈঠক

প্ৰতিনিধি সভা অনুষ্ঠিত কৰিবলৈ বাধ্য হয়। বাতৰিকাকত আৰু সামাজিক মাধ্যমযোগে প্ৰাক্তন আছু নেতা, বিশিষ্ট নাগৰিক, শিক্ষাবিদ আদিয়ে অসম চুক্তিৰ ৬নং দফাক লৈ কেন্দ্ৰীয় চৰকাৰে গঠন কৰা উচ্চস্তৰীয় সমিতিৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ নকৰাৰ অভিযোগ আনে। একেখন প্ৰতিবেদন তিনিটা টুকুৰা কৰি কেনেদৰে কাৰ্যকৰী কৰিব বুলি প্ৰশ্ন উত্থাপন কৰিছিল বিভিন্নজনে। তাৰ পাছতে আজি ততাতৈয়াকৈ সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক আৰু প্ৰতিনিধি সভা অনুষ্ঠিত কৰি কেইবাটাও বিষয় স্পষ্ট কৰে। আছুৱে আন্দোলন কৰাৰ লগতে আলোচনা দুৱাৰ সদায়েই খোলা ৰখা বুলি কয়। আছুৱে ৰাজপথত আন্দোলন কৰিব। সমানে আলোচনাৰ জৰিয়তে সমস্যা সমাধানৰ বাট বন্ধ নকৰে বুলি স্পষ্ট কৰে। আজি বিপ্লৱ শৰ্মা সমিতিৰ পৰামৰ্শসমূহৰ ভিতৰত অসম চৰকাৰৰ আওতাৰ বিষয়সমূহক লৈ অসম চৰকাৰৰ সৈতে আলোচনাত বহিবলৈ আছুক আকোৰগোজ দেখা যায়। আছুৰ মুখ্য উপদেষ্টা সমুজ্জ্বল কুমাৰ ভট্টচাৰ্য আৰু সভাপতি উৎপল শৰ্মাই স্থিতি স্পষ্ট কৰি কয় যে অসম চৰকাৰৰ আওতাৰ বিষয়বস্তু কাৰ্যকৰী কৰিব খোজা অসম চৰকাৰৰ সিদ্ধান্তক ইতিবাচনক হিচাপে লৈছে আছুৱে। উজানবজাৰস্থিত বিবেকানন্দ কেন্দ্ৰত পুৱা ১১ বজাৰ পৰা কাৰ্যনিৰ্বাহ সভা আৰু দুপৰীয়া ৩ বজাৰ পৰা প্ৰতিনিধি সভা অনুষ্ঠিত হয়। এই সভাত প্ৰতিখন জিলা ছাত্ৰ সন্থা, মহকুমা ছাত্ৰ সন্থা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সন্থা গোট, উপদেষ্টা আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ বিষয়-ববীয়া উপস্থিত থাকে। কাৰ্যনিৰ্বাহকৰ মাজতে আছুৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য কয় যে খিলঞ্জীয়া মানুহৰ প্ৰভুত্ব নিশ্চিত কৰিবলৈ আমাক সাংবিধানিক ৰক্ষা কৱচ লাগিবই। সাংবিধানিক ৰক্ষা কৱচ কেনেদৰে দিয়া হ'ব এই সন্দৰ্ভত ইতিমধ্যে অসম চুক্তিৰ ৬নং দফাৰ বিপ্লৱ কুমাৰ শৰ্মা প্ৰতিবেদনে দি থৈছে। প্ৰতিটো পৰামৰ্শ কাৰ্যকৰী হ'ব লাগিব। প্ৰতিটো পৰামৰ্শ কাৰ্যকৰী নকৰা পৰ্যন্ত আমি ক্ষান্ত নহও। লগতে ড০ ভট্টাচাৰ্যই কয় যে অসমত অসমীয়া মানুহৰ প্ৰভুত্ব আৰু নিয়ন্ত্ৰণ নোহোৱালৈকে আমি নেৰানেপেৰাকৈ লাগি থাকিম। অসমৰ ৰাইজ, আছুৱে ফলাফল বিচাৰে। এনে কিছুমান বিষয় আছে য'ত সংবিধান সংশোধনৰ প্ৰয়োজন আছে। এইবাৰ গোটেই বিষয়টো সাংবিধানিক হ'ব লাগিব। মিজোৰাম-নাগালেণ্ডত ৩৭১-এ কাৰ্যকৰী হৈ আছে। মাটি সম্পদৰ অধিকাৰ দিছে। যিবোৰ বিষয়ত সমিতিয়ে পৰামৰ্শ দিছে বিষয়বোৰ সাংবিধানিক হ'ব লাগিব। সংবিধানৰ অন্তৰ্ভুক্ত হ'ব লাগিব। অসমৰ খিলঞ্জীয়া মানুহক সুৰক্ষা দিব লাগিব। লগতে ২৫ ছেপ্টেম্বৰৰ অসম চৰকাৰৰ সৈতে অনুষ্ঠিত বৈঠক সন্দৰ্ভত ভট্টাচাৰ্যই কয় যে যি যিসমূহ পৰামৰ্শ অসম চৰকাৰৰ আওতাত আছে তাক কাৰ্যকৰী কৰিবলৈ অসম চৰকাৰে এক্সন প্লান বনাব। ২৫ অক্টোবৰৰ বৈঠকত সেইসমূহ উত্থাপন কৰিব। চৰকাৰে কি অৱগত কৰে আমি চাম। কাৰ্যকৰী কেনেকৈ কৰে তাৰ ওপৰত নজৰ ৰাখিম। আমাক ফলাফল লাগে। আছুৱে নিৰৱচ্ছিন্নভাৱে কাম কৰি আছে। আনহাতে, বিভিন্ন পক্ষই অনা অভিযোগৰ উত্তৰ দি মুখ্য উপদেষ্টাগৰাকীয়ে কয় যে ২০০৫ চনৰ মে'ত প্ৰধানমন্ত্ৰী মনমোহন সিঙে কাৰ ৰেলীৰ বাবে অহাৰ সময়ত আমি আন্দোলন ঘোষণা কৰিছিলো। তাৰ পাছতে সেই সময়ৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে আছুক কথা দিছিল যে প্ৰধানমন্ত্ৰীৰ সৈতে ত্ৰিপাক্ষিত আলোচনা কৰা হ'ব। সেই সময়ত ২০০৫ চনৰ ৫ মে'ত প্ৰধানমন্ত্ৰীৰ সৈতে ত্ৰিপাক্ষিক আলোচনা হৈছিল। তেতিয়াও মানুহে কৈছিল আছুৱে কংগ্ৰেছক সহায় কৰিব বিচাৰিছে। চৰকাৰ আহিছে গৈছে। কোনে কোন দলৰ হৈ কাম কৰিছে সেই কথা ৰাইজে জানে। চৰকাৰে আলোচনালৈ মাতিলে যাও। আছুৱে ৰাজপথত আন্দোলন কৰিব। আলোচনাৰ জৰিয়তে সমস্যাস সমাধানৰ বাট আছুৱে বন্ধ নকৰে। এনআৰচি বিষশয়ত তাৎপৰ্যপূৰ্ণ মন্তব্য দি ভট্টাচাৰ্যই কয় যে অসমৰ ৰাইজে বিচাৰিছিল শুদ্ধ নাগৰিক পঞ্জী। দুবৰাকৈ শাৰী পাতি তথ্য পাতি দিলে। কিন্তু বিজেপিৰ তেতিয়াৰ নেতা এতিয়াৰ গৃহমন্ত্ৰীয়ে কৈছিল আমি এখন শুদ্ধ এনআৰচি কৰিম। কিন্তু কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে শুদ্ধ এনআৰচিৰ বাবে কাম নকৰিলে। আছু, পাব্লিক ৰাৰ্কছে ৰি-ফেৰিফিকিচনৰ বাবে আবেদন কৰিছো। কিন্তু চৰকাৰে আজিলে আবেদন কৰা নাই। উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপত আমি যাতে এখন শুদ্ধ এনআৰচি পাও। আনহাতে, মুখ্যমন্ত্ৰীয়ে আমন্ত্ৰণ কৰা বৈঠকলৈ কিয় কাৰণত গৈছিল একেই মতামত দিয়ে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই। তেওঁ কয় যে প্ৰতিবেদনৰ ৰাজ্য চৰকাৰৰ কৰ্তৃত্বত থকা বিষয়সমূহ কাৰ্যকৰী কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। ছাত্ৰ সন্থাই ইতিবাচক সহাৰি জনাম। কেন্দ্ৰৰ আওতাত থকা বিষয়সমূহ কাৰ্যকৰী কৰিবলৈ ছাত্ৰ সন্থাই হেঁচা অব্যাহত ৰাখিব। অসম চৰকাৰে কৈছে কেন্দ্ৰৰ আওতাত থকা বিষয়সমূহ আগবঢ়াই নিবলৈ কেন্দ্ৰক আহ্বান জনাই ত্ৰিপাক্ষিক বৈঠক কৰাৰ আহ্বান জনাব। লগতে একাংশ লোকে আছু আৰু চৰকাৰৰ বৈঠকক সমালোচনা কৰাত তাৰ উত্তৰ দি শৰ্মাই কয় যে একাংশ লোকৰ প্ৰশ্নৰ উত্তৰ দি তেওঁলোকক প্ৰাসংগিক কৰিব নালাগে। তেওঁলোকে নিবিচাৰি অসম চুক্তি কাৰ্যকৰী হওক। লগতে শৰ্মাই কয় যে আমি আলোচনাৰ নামত আলোচনা আৰু আন্দোলনৰ নামৰ আন্দোলন নকৰো। আলোচনা আৰু আন্দোলন দুয়োটা পথেই খোলা আছে। অসম চৰকাৰৰ আওতাৰ বিষয়সমূহ কাৰ্যকৰী কৰিব খুজিলে তাত ছাত্ৰ সন্থাই সহায় কৰিব। কিন্তু এনে কথা নহয় যে কেন্দ্ৰীয় চৰকাৰৰ আওতাৰ বিষয়সমূহ এৰি দিম। তাত উচ্চসদন স্থাপন, ৰাজনৈতিক সংৰক্ষণ, ইনাৰ লাইন পাৰ্মীটৰ কথা আছে। কেন্দ্ৰৰ ওপৰত হেঁচা কৰি থাকিম। সকলো দলৰে অসমৰ সমস্যাক লৈ সদিচ্ছা নাই। ৪০ বছৰে প্ৰতিটো দলে অসমক ঠগিছে। সকলো দলে সুবিধা পাইছিল। ত্ৰিপাক্ষিক আলোচনাত বহিম। যদি আলোচনাত সদিচ্ছাৰ অভাৱ দেখো তেন্তে পুনৰ আন্দোলনৰ পথলৈ উভতি যাম বুলিও কয় আছুৰ সভাপতি শৰ্মাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বানৰ সংহাৰ, নেপালত নিহত

ভূমিস্খলনত এতিয়াও সন্ধানহীন হৈ আছে কমেও ৪২ জন লোক। এতিয়াও বানত বুৰ গৈ আছে পূব আৰু মধ্য নেপালৰ বিস্তৃত অঞ্চল। নেপালৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ বিষয়া ঋষিৰাম পোখাৰেলে সদৰী কৰা মতে, এই প্ৰাকৃতিক দুৰ্যোগত ১১১জন লোক গুৰুতৰভাৱে আহত হৈছে। দুৰ্যোগৰ ফলত আৰম্ভ হৈ পৰা লোকসকলৰ উদ্ধাৰ অভিযান পূৰ্ণগতিত চলাই থকা হৈছে। এয়াৰলিফ্টৰ জৰিয়তে উদ্ধাৰ অব্যাহত ৰাখিছে নেপাল সেনাই। চৰকাৰী তথ্য অনুসৰি, ৰাষ্ট্ৰখনত সৃষ্টি হোৱা এই ভূমিস্খলন আৰু বানৰ ফলত প্ৰায় ৪০০০ লোক গৃহহীন হৈ পৰিছে। তেওঁলোকক খাদ্য সামগ্ৰীকে ধৰি সকলো প্ৰয়োজনীয় সাহায্য সামগ্ৰী প্ৰদান কৰা হৈছে। কাঠমাণ্ডুৰ উপকণ্ঠ অঞ্চল বালখু অঞ্চলত প্ৰায় ৪০০ লোকক সমাজকৰ্মীসকলে সাহায্য আৰু খাদ্য সামগ্ৰী যোগান ধৰিছে। ইফালে যোৱা শনিবাৰৰ পৰাই বন্ধ হৈ আছে দেশখনৰ অধিকাংশ ৰাষ্ট্ৰীয় ঘাইপথ। বহু বাট-পথ বানত উটি যোৱাৰ ফলত স্তব্ধ হৈ পৰিছে সাধাৰণ জনজীৱন। অৱশ্যে বাট-পথৰ পুনৰুদ্ধাৰৰ কামো পূৰ্ণগতিত চলাই থকা হৈছে। কাঠমাণ্ডুক অন্য জিলাৰ সৈতে সংযোগ কৰা ত্ৰিভুৱন ঘাইপথেৰে এতিয়া পুনৰ আৰম্ভ হৈছে যান-বাহনৰ চলাচল। সমগ্ৰ নেপালৰ বানত প্ৰায় ৩২২টা ঘৰ আৰু ১৬খন দলং ক্ষতিগ্ৰস্ত হৈছে। লক্ষণীয় যে, যোৱা ৫ দশকৰ ভিতৰত কাঠমাণ্ডু উপত্যকা অঞ্চলত এয়াই সৰ্ববৃহৎ আৰু ভয়াবহ বান পৰিস্থিতি বুলি মন্তব্য কৰিছে নিৰাসীসকলে। ইন্টাৰনেশ্যনেল চেন্টাৰ ফৰ ইন্টিগ্ৰেটেড মাউন্টেন ডেভেলপমেন্ট (আইচিআইএমঅ'ডি)ৰ জলবায়ু বিজ্ঞানী ভক্ত শ্ৰেষ্ঠই কয়, 'কাঠমাণ্ডুত ইমান ডাঙৰ দুৰ্যোগ আগতে কেতিয়াও দেখা নাই। ধাৰাসাৰ বৰষুণৰ ফলত কাঠমাণ্ডুৰ বাগমতী নদীৰ বুকু উফন্দি উঠিছে। শুকুৰবাৰ আৰু শনিবাৰে মধ্য আৰু পূব নেপালত এই দুৰ্যোগে ভয়াৱহ ৰূপ ধাৰণ কৰে।' উল্লেখ্য যে, শনিবাৰে বংগোপসাগৰৰ ওপৰত গভীৰ নিম্নচাপৰ বাবে নেপালত ধাৰাসাৰ বৰষুণ আৰম্ভ হয়। বিশেষজ্ঞসকলে কয় যে জলবায়ু পৰিৱৰ্তনৰ বাবে সমগ্ৰ এছিয়াতে বৰষুণৰ পৰিমাণ অস্বাভাৱিক হাৰত বৃদ্ধি পাইছে। ইফালে আগন্তুক কেইবাদিনলৈও নেপালৰ পৰিস্থিতি অনুকুল হোৱাৰ সম্ভাৱনা নাই বুলি আশংকা ব্যক্ত কৰিছে বতৰ বিজ্ঞান বিভাগে। একে সময়তে দেশখনত ভয়াবহ ভূমিস্খলনৰ সতৰ্কবাণীও জাৰি কৰা হৈছে। উল্লেখ্য যে প্ৰতিবছৰে দেশখনত বানে সংহাৰ ৰূপ ধাৰণ কৰি আহিছে। এই বছৰত ইয়াৰ পূৰ্বেও এবাৰ বানে তাণ্ডৱ চলাই গৈছিল দেশখনত। সেয়ে এই বানত দিশহাৰা হৈ পৰিছে দেশখন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পেৰুতৰ ৰে'লক ভাৰতৰ ৰে'ল

পৰিছে অশ্বিনী বৈষ্ণৱ। শেহতীয়াকৈ বৈষ্ণৱে এটা ৰীল প্ৰচাৰ কৰিছিল। সেই ভিডিঅ'টোত বন্দে ভাৰতৰ সফলতা প্ৰচাৰ কৰিছিল। কিন্তু ৰীলত যিখিনি দৃশ্য ব্যৱহাৰ কৰা হৈছিল সেইখিনি ভাৰতীয় ৰে'লৰ নাছিল। সেই দৃশ্য আছিল পেৰুৰ। অভিযোগ মতে, সামাজিক মাধ্যমত এই অভিযোগ উত্থাপন হোৱাত অল্ট নিউজে ফেক্ট চেক কৰে। অল্ট নিউজে প্ৰকাশ কৰা বাতৰি অনুসৰি ২০২০ চনত পেৰু ৰেল বিভাগে এটা ভিডিঅ'ত আপলোড কৰিছিল। পেৰু ৰে'ল বিভাগৰ ভিডিঅ'টোৰ কিছু দৃশ্য ভাৰতৰ ৰেল মন্ত্ৰীগৰাকীয়ে ব্যৱহাৰ কৰি ভাৰতৰ বন্দে ভাৰত ৰে'লৰ দৃশ্য বুলি প্ৰচাৰ কৰে। ২০১৯ চনত আপলোড কৰা 'ট্ৰেইন টু মাচুপিচু পেৰু ৰে'ল ভিষ্টাডোম' শীৰ্ষক ভিডিঅ'টো ইউটিউব আপলোড কৰা হৈছিল। উল্লেখ্য যে, ২৭ ছেপ্টেম্বৰত কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে 'মেক ইন ইণ্ডিয়া' অভিযানৰ এক ফ্লেগশ্বিপ প্ৰকল্প বন্দে ভাৰত ৰে'লৰ বিজ্ঞাপনমূলক ভিডিঅ' শ্বেয়াৰ কৰে। 'বন্দে ভাৰত, অমৃত ভাৰত, নমো ভাৰত ৰেলৰ ত্ৰিবেণী' বুলি কেপচন দি ভিডিঅ' শ্বেয়াৰ কৰিছিল বৈষ্ণৱে। বন্দে ভাৰত ৰে'লৰ ভিষ্টা ডোম ডবা দ্ৰুত গতিত গৈ থকা দেখুওৱা হৈছিল। কিন্তু ৰে'লমন্ত্ৰীগৰাকীয়ে আপলোড কৰা ভিডিঅ'টো ডিলিট কৰা হয়। কিয়নো তাত ব্যৱহাৰ কৰা দবাৰ দৃশ্য আছিল পেৰুৰ। কিন্তু ডিলিট কৰাৰ পূৰ্বে স্ক্ৰীণ ৰেকৰ্ডিং কৰিছিল বহু লোকে। মন্ত্ৰীগৰাকীয়ে শ্বেয়াৰ কৰা দবাত স্পষ্টভাৱে 'পেৰু ৰে'ল' বুলি লিখা আছিল। অল্ট নিউজে ইউটিউবত মূল ভিডিঅ'টো বিচাৰি উলিয়াবলৈ সক্ষম হৈছে। চাৰি বছৰ আগতে ২০২০ চনৰ ৫ মাৰ্চত আপলোড কৰা হৈছিল। মূল ভিডিঅ'টো আৰু ৰে'লমন্ত্ৰী বৈষ্ণৱে আপলোড কৰা ভিডিঅ'টোৰ দবাসমূহ একেই আছিল। কেৱল দবাৰ দৃশ্যই নহয় আন কিছু দৃশ্যও পেৰুৰ ৰে'লৰেৰ আছিল। আন এটা ভিডিঅ' ২০১৯ চনৰ অক্টোবৰত আপলোড কৰিছিল পেৰু ৰে'ল বিভাগে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ধানোৱাৰক ডিব্ৰুগড়ত আদৰণি

মনোজ ধানোৱাৰক আজি গৃহ জিলা ডিব্ৰুগড়ত উপস্থিত হয়। গুৱাহাটীস্থিত কাৰ্যালয়ত আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰি গৃহ জিলা ডিব্ৰুগড়ত উপস্থিত হোৱা মনোজ ধানোৱাৰ আজি গৃহ জিলাত উপস্থিত হোৱাৰ পাছতে দলীয় সমৰ্থক তথা নেতা-কৰ্মীয়ে বিপুল আদৰণি জনায়। ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰত উপস্থিত হোৱাৰ পাছতে দলীয় বিভিন্ন সাংস্কৃতিক দল যেনে ঝুমুৰ নৃত্য, বিহুৱা দলে নাচি-বাগি আদৰণি জনায়। ডিব্ৰুগড় মোহনবাৰী বিমান বন্দৰত উখল-মাখল পৰিৱেশ দেখা যায়। দলটোৰ জিলা সমিতিৰ নেতা-কৰ্মী আৰু সমৰ্থকে বিমান বন্দৰত আপৰ নৱনিৰ্বাচিত ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰক বিপুল আদৰণি জনোৱা পৰিলক্ষিত হয়। গুৱাহাটীৰ পৰা গৈ ডিব্ৰুগড়ৰ মোহনবাৰী বিমান বন্দৰত উপস্থিত হোৱা ধানোৱাৰক শ-শ নেতা-কৰ্মীয়ে আদৰণি জনোৱাত অভিভূত হৈ পৰে। বিগত ৯ ছেপ্টেম্বৰত সৰ্বভাৰতীয় সমিতিয়ে অসমৰ ৰাজ্যিক আপৰ নেতৃত্ব সলনি কৰি মনোজ ধানোৱাৰক সভাপতিৰ দায়িত্ব দি সাংগঠনিক দিশ শক্তিশালী কৰাৰ লক্ষ্য লৈছে। কিন্তু যিগৰাকী ধানোৱাৰক দায়িত্ব প্ৰদান কৰিছে সেইগৰাকী ধানোৱাৰে বিগত লোকসভা নিৰ্বাচনত ডিব্ৰুগড় সংসদীয় সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিছিল। খোদ এতিয়াৰ সভাপতিগৰাকীয়ে ২ লাখ ভোট লাভ কৰিবলৈ সক্ষম নহ'ল। মাথো ১ লাখ ৩৭ হাজাৰ ভোট লাভ কৰিছিল। সেয়া হ'লেও নতুন দায়িত্ব লাভৰ পিছত উৎসাহী হৈ পৰিছে আপ নেতাগৰাকী।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এনআৰচিক লৈ ক্ষুব্ধ সুস্মিতা

বাবে দিয়া নিৰ্দেশক লৈ তীব্ৰ আক্ৰমণ কৰিছিল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। আজি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীক লৈ সৰৱ হৈ সুস্মিতা দেৱ। হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডৰ এখন সভাত অসমৰ দৰেই ঝাৰখণ্ডত এনআৰচি প্ৰস্তুত কৰি বাংলাদেশীক গটিয়াই উলিয়াই দিয়াৰ ঘোষণা কৰাৰ পাছতে সমগ্ৰ দেশত চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰসংগত কৰা এক মন্তব্যই সমগ্ৰ দেশতে চৰ্চা লাভ কৰাৰ সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰিছে সুস্মিতা দেৱে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু গৃহমন্ত্ৰী অমিত শ্বাহক উভতি সুস্মিতা দেৱে কয় যে অসমত এনআৰচি প্ৰস্তুতৰ নামত ৰাজ্য চৰকাৰে কোটি কোটি টকা খৰচ কৰিলে। অসমত এনআৰচি কাৰ্যকৰী কৰিব নোৱৰা চৰকাৰে ঝাৰখাণ্ডত কাৰ্যকৰি কৰিব। অসমত প্ৰথমে এনআৰচি কাৰ্যকৰী কৰিবলৈ হিমন্ত বিশ্ব শৰ্মা আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীক প্ৰত্যাহ্বান জনাই সুস্মিতাই। সুস্মিতাই আৰু কয় যে বিজেপি চৰকাৰে এনআৰচিৰ নামত অসমৰ ৰাইজক বিশ্বাসঘাতকতা কৰিছে। কেৱল ভোটৰ স্বাৰ্থত ঝাৰখণ্ডত মিথ্যাচাৰৰ আশ্ৰয় লৈছে হিমন্ত বিশ্ব শৰ্মাই। এনআৰচিৰ নামত আকৌ নাটক আৰম্ভ কৰিছে হিমন্ত বিশ্ব শৰ্মাই। বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদন কাৰ্যকৰী কৰিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ পদক্ষেপক তীব্ৰ সমালোচনা কৰিছে তৃণমূল নেত্ৰীগৰাকীয়ে। উজনি অসমত বিজেপিৰ ভোটত খহনীয়াৰ সৃষ্টি হোৱাত আহোম ভোটৰ আশাত নিৰ্বাচনৰ পূৰ্বে বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন কাৰ্যকৰী কৰাৰ নাটক কৰা বুলি সুস্মিতাই। চাৰি বছৰৰ মূৰকত ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনক লৈ অসমৰ মানুহক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বুৰ্বক সজোৱাৰ চেষ্টা কৰা বুলিও কয় সুস্মিতা দেৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দাদাচাহেব ফাল্কে পুৰস্কাৰ

ছুপাৰষ্টাৰ মিঠুন চক্ৰৱৰ্তীক। সোমবাৰে দাদাচাহেব ফাল্কে বঁটাৰ বাবে তাৰকা অভিনেতাগৰাকীৰ নাম ঘোষণা কৰা হৈছে। বলীউডৰ 'ডিস্ক' ডান্সাৰ' হিচাপে ভাৰতৰ লগতে ৰাছিয়া, চীন, জাপান আদি দেশতো যথেষ্ট সমাদৰ লাভ কৰিবলৈ সক্ষম হোৱা অভিনেতাগৰাকীলৈ এই সন্মান প্ৰদানৰ ঘোষণা কৰাৰ পিছতে উৎফুল্লিত হৈ পৰিছে তেওঁৰ অনুৰাগীসকল। মিঠুন চক্ৰৱৰ্তীক দাদাচাহেব ফাল্কে সন্মান প্ৰদানৰ বিষয়ে ঘোষণা কৰি কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এক্সত লিখিছে, "মিঠুন দাৰ উল্লেখযোগ্য চিনেমাৰ যাত্ৰাই প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে! মই গৌৰৱ অনুভৱ কৰিছো যে ভাৰতীয় চিনেমালৈ তেওঁৰ অনবদ্য অৱদানৰ বাবে দাদাচাহেব ফাল্কে বাছনি জুৰীয়ে প্ৰসিদ্ধ অভিনেতা শ্ৰী মিঠুন চক্ৰৱৰ্তীক এই বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত লৈছে। ২০২৪ চনৰ ৮ অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া ৭০ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানত তেওঁক এই সন্মান প্ৰদান কৰা হ'ব।" ইফালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিঠুন চক্ৰৱৰ্তীক অভিনন্দন জনাই লিখিছে, 'ভাৰতীয় চিনেমালৈ আগবঢ়োৱা অনন্য অৱদানৰ বাবে শ্ৰী মিঠুন চক্ৰৱৰ্তী জীক সন্মানীয় দাদাচাহেব ফাল্কে বঁটাৰে সন্মানিত কৰাত মই সুখী হৈছো। তেওঁ এগৰাকী সাংস্কৃতিক প্ৰতীক, যিয়ে তেওঁৰ বহুমুখী প্ৰতিভাৰ বাবে প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি ছবিপ্ৰেমীৰ হৃদয় জিনি আহিছে। তেখেতলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ।" উল্লেখ্য যে, মিঠুন চক্ৰৱৰ্তীয়ে ১৯৭৬ চনত তেওঁৰ প্ৰথমখন ছবি মৃগয়াৰে অভিনয়ৰ জগতখনত প্ৰৱেশ কৰিছিল। এই ছবিখনৰ বাবে পৰিচালক মৃণাল সেন আৰু মিঠুন চক্ৰৱৰ্তীয়ে তেওঁৰ অভিনয়ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰে। ইয়াৰ পিছত মিঠুন চক্ৰৱৰ্তীয়ে তহাদৰ কথা (১৯৯২) আৰু স্বামী বিবেকানন্দ (১৯৯৮) ছবিত অভিনয় কৰি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰে। শেহতীয়াকৈ তেওঁক দ্য কাশ্মীৰ ফাইলছ ছবিত দেখা গৈছিল। ইফালে অভিনয় জগতৰ উপৰিও ৰাজনৈতিকভাৱেও সক্ৰিয় মিঠুন চক্ৰৱৰ্তী। ২০০৪ চনত তেওঁ তৃণমূল কংগ্ৰেছৰ পৰা ৰাজ্যসভালৈ নিৰ্বাচিত হয়। কিন্তু ২০১৬ চনত তেওঁ ৰাজ্যসভাৰ সদস্যপদ ত্যাগ কৰে আৰু ২০২১ চনৰ পশ্চিমবংগ বিধানসভা নিৰ্বাচন পূৰ্বে তেওঁ বিজেপিত যোগদান কৰে। আজি এই বঁটা ঘোষণা কৰাৰ লগে লগে উৎসাহী হৈ পৰিছে অভিনেতাগৰাকীৰ অনুৰাগীসকল।

## জাতিৰ হৈ কাম কৰাৰ সংকল্প গ্ৰহণ সভাপতি দ্বীপেন বড়োৰ

# কোকৰাঝাৰত সৰ্বাধিক উচ্চতাত উত্তোলিত এবছুৰ পতাকা





**ই-সংবাদ, কোকৰাঝাৰ, ৩০ ছেপ্টেম্বৰঃ** কোকৰাঝাৰত এবছুৱে আজি নিজৰ সৰ্ববৃহৎ সাংগঠনিক পতাকা উত্তোলন কৰে। আজি দিনৰ ১১ বজাত কোকৰাঝাৰ চহৰৰ বডোফা শিশু উদ্যান প্ৰাংগনত ৭৫ ফুট উচ্চতা, ২০ ফুট প্ৰস্থ আৰু ৩০ ফুট দৈৰ্ঘ্যৰ এবছুৰ পতাকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। এবছুৰ এই সাংগঠনিক পতাকাখন যিকোনো ছাত্ৰ সংগঠনৰ পতাকাৰ ভিতৰত উচ্চতম স্থানত উত্তোলিত সৰ্বপ্ৰথম আৰু সৰ্ববৃহৎ বুলি বিবেচিত হৈছে। উল্লেখ্য যে আজি এক অনুষ্ঠানৰ যোগেদি কোকৰাঝাৰ চহৰৰ জেডি ৰোডস্থিত বডোফা শিশু উদ্যান প্ৰাংগণত এবছুৰ সাংগঠনিক পতাকাখন উন্মোচন কৰে এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়োৱে। এবছুৰ পতাকা উত্তোলন কৰি এবছুৰ সভাপতি দ্বীপেন বড়োৱে কয় যে এয়া এবছুৰ পৃথিৱীৰ ভিতৰতে উচ্চতম স্থানত থকা পতাকা। এই পতাকাখন সাহস আৰু প্ৰেৰণাৰ প্ৰতীক আৰু পতাকাখনৰ সতে স্বাভীমান জড়িত হৈ আছে বুলি উল্লেখ কৰি পতাকাৰ তলত একগোট হৈ থাকি এবছুৱে সদায়ে জাতিৰ হকে কাম কৰি যাব বুলি মন্তব্য কৰিছে। ইপিনে অহা ১৫ আৰু ১৬ নৱেম্বৰত এবছু, বড়ো সাহিত্য সভা, হাৰিমু আফাট আৰু গান্ধী হিন্দুস্থানী সাহিত্য সভাৰ যৌথ উদ্যোগত নতুন দিল্লীত বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হ'ব বুলি মন্তব্য কৰি উক্ত মহোৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী উপস্থিত থাকিব বুলি সদৰি কৰিছে দ্বীপেন বড়োৱে। উক্ত মহোৎসৱৰ সতে সংগতি ৰাখি ৰাজঘাটৰ পৰা যন্তৰ মন্তৰ লৈ ১০ কিলোমিটাৰ জোৰা সাংস্কৃতিক শোভাযাত্ৰা বাহিৰ হ'ব বুলি ঘোষণা কৰিছে দ্বীপেন বড়োৱে। উক্ত মহোৎসৱত বড়োসকলৰ কলা-কৃষ্টি-সংস্কৃতি প্ৰদৰ্শন কৰাৰ লগতে বড়োলেণ্ডত বসবাস কৰা আন জাতি-জনগোষ্ঠীৰো সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব বুলি মন্তব্য কৰি অনুষ্ঠান সফল কৰি তোলাৰ বাবে সকলোৰে সহযোগিতা কামনা কৰিছে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। আনহাতে পতাকা উত্তোলনথলীত সাংবাদিকৰ এক প্ৰশ্নত্তোৰত এনডিএফবি প্ৰসংগত কেবাটাও মন্তব্য কৰিছে দ্বীপেন বড়োৱে। তেওঁ কয় যে চৰকাৰে ইতিমধ্যে ৪২০৩ জন কেডাৰক পুনৰ সংস্থাপনৰ পেকেজ দিছে আৰু অহা ডিচেম্বৰৰ ভিতৰত ৬৭৮ জনক পুণৰসংস্থাপনৰ পেকেজ দিব। ৫৯২ গৰাকী শ্বহীদৰ পৰিয়ালে আৰ্থিক অনুদান পাইছে আৰু ৭০০ৰো অধিক পৰিয়ালে অতি শীঘ্ৰেই আৰ্থিক অনুদান পাব। তদুপৰি এনডিএফবি কেডাৰৰ বিৰুদ্ধে থকা ২৬৩ টা লঘু আৰু গুৰুতৰ গোচৰ প্ৰত্যাহাৰ কৰা হৈছে। গোচৰ প্ৰত্যাহাৰৰ বিষয়টোত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু যাৰ পৰিণতিতে আৰু ৬০০-৭০০ গোচৰ প্ৰত্যাহাৰ হ'ব। এনআইএৰ অধীনত ৬০ জন এনডিএফবি কেডাৰ আছে আৰু চিবিআইৰ অধীনত ৰঞ্জন দৈমাৰীকে ধৰি ৬ জন এনডিএফবি কেডাৰ বৰ্তমান জেলত আছে বুলি উল্লেখ কৰি সকলো এনডিএফবি কেডাৰৰ মুকলিৰ পোষকতা কৰিছে দ্বীপেন বড়োৱে। তেওঁ কয় ইয়াত কোনো ভালপোৱা-বেয়াপোৱাৰ কথা নাই। অসমত বহু ঘটনা সংঘটিত হ'ল। গুলী-বাৰুদ-বোমা বিস্ফোৰণ হৈছে। ঘটনা-পৰিঘটনা যিয়েই নহওঁক, এনডিএফবি বা বিএলটিয়ে নকৰক কিয় আমি বড়ো জাতীয় সংগঠন হিচাপে ক্ষমা বিচাৰিছো। মুখ্যমন্ত্ৰীকো আমি আহ্বান জনাইছো, ইয়াত ভাল-বেয়াৰ কথা নাই, অসমবাসীৰ ওচৰত ক্ষমা বিচাৰিছো। শান্তিৰ স্বাৰ্থত, চুক্তিৰ স্বাৰ্থত, সাধাৰণ জীৱনৰ স্বাৰ্থত বন্দী হৈ থকা এনডিএফবি সদস্যসকলক মুকলি কৰি দিবলৈ আহ্বান জনাইছে এবছুৰ সভাপতি দ্বীপেন বড়োৱে। তেওঁ জেলত গৈ ৰঞ্জন দৈমাৰীকে ধৰি আন সদস্যসকলৰ অৱস্থাৰ বুজ লোৱাৰ কথাও সদৰি কৰি কয় যে ১৩ -১৬ বছৰ জেলত থাকি তেওঁলোক এতিয়া সাধাৰণ লোকৰ দৰে হৈছে। উল্লেখ্য যে আজিৰ কাৰ্য্যসূচীত এবছুৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক খনীন্দ্ৰ বসুমতাৰী, উপ-সভাপতি খৌৰৌমদাউ ৱাৰী, কোকৰাঝাৰ জিলা এবছুৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে কৃপেশ দৈমাৰী আৰু খাম্ফা বসুমতাৰীসহ এবছুৰ আন নেতা-কৰ্মীসকল উপস্থিত আছিল।

■ দ্বিতীয় পৃষ্ঠাৰ পৰা...

## অসম আৰক্ষীত বিষয়াৰ অভাৱ

বৃদ্ধিহে কৰিছে। এগৰাকী বিষয়া হৈছে অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হীৰেন নাথ। আনহাতে আন এগৰাকী অৱসৰপ্ৰাপ্ত আইপিএছ জিৎমল দলৈৰো চাকৰিৰ সময় বৃদ্ধি কৰিছে অসম চৰকাৰে। কিছুদিন পূৰ্বে অৱসৰগ্ৰহণ কৰা জিৎমল দলৈক ঠিকা ভিত্তিত আইজিপি অপাৰেশ্যন হিচাপে নিযুক্তি দিছে ৰাজ্য চৰকাৰে। দলেক দুবছৰৰ বাবে নিযুক্তি দিয়া হৈছে। ইপিনে অসম আৰক্ষীৰ অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান হীৰেন চন্দ্ৰ নাথৰ চাকৰিৰ কাৰ্যকাল আজি সমাপ্তি ঘটে। আজি অৱসৰ গ্ৰহণ কৰাৰ কথা আছিল যদিও পুনৰ ২ বছৰৰ বাবে অসম আৰক্ষীত সেৱাৰ সুবিধা লাভ কৰে। অৱসৰৰ দিনটোতে জ্যেষ্ঠ আৰক্ষী বিষয়াগৰাকীৰ কাৰ্যকাল বৃদ্ধি কৰি অতিৰিক্ত দুই বছৰ চাকৰি কৰাৰ সুবিধা প্ৰদান কৰে চৰকাৰে। বৰ্তমান অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালক প্ৰধান আছিল হীৰেন চন্দ্ৰ নাথ। অসম আৰক্ষীৰ নিষ্ঠাৱান বিষয়াৰূপে জনাজাত নাথক ২০২২ চনত বিশিষ্ট সেৱাৰ ৰাষ্ট্ৰপতিৰ মেডেল প্ৰদান কৰা হৈছিল। ইফালে, দুগৰাকীকৈ আৰক্ষী বিষয়াক অৱসৰৰ পিছতো পুনৰ কাৰ্যকাল বৃদ্ধি কৰা বিষয়টোৱে লাভ কৰিছে ব্যাপক চৰ্চা। একাংশ লোকে অসম আৰক্ষীত পৰ্যাপ্ত পৰিমাণে দক্ষ বিষয়াৰ অভাৱৰ বাবেই এনেদৰে অৱসৰৰ পিছতো দুগৰাকীকৈ বিষয়াৰ কাৰ্যকাল বৃদ্ধি কৰিবলৈ চৰকাৰ বাধ্য হৈছে বুলি মন্তব্য কৰা দেখা গৈছে। বিশেষকৈ এগৰাকী বিষয়াক ঠিকাভিত্তিত হলেও কাৰ্যকাল বৃদ্ধি কৰাটোৱেও বহন কৰিছে যথেষ্ট তাৎপৰ্য।

# অসম বিধানসভাৰ প্ৰাককলন সমিতিৰ মৰিগাঁও জিলা পৰিদৰ্শন

**ই-সংবাদ, মৰিগাঁও,৩০ ছেপ্টেম্বৰঃ** বিধায়ক প্ৰশান্ত ফুকনৰ অধ্যক্ষতাত কমলাখ্যা দে পুৰকায়স্থ আৰু আমিনুল ইছলামৰ উপস্থিতিত অসম বিধানসভাৰ প্ৰাককলন সমিতিয়ে আজি মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। এই ভ্ৰমণৰ উদ্দেশ্য আছিল সমগ্ৰ জিলা খনত ৰূপায়ণ হৈ থকা বিভিন্ন গুৰুত্বপূৰ্ণ উন্নয়নমূলক প্ৰকল্প আৰু আঁচনিসমূহৰ অগ্ৰগতি পৰিদৰ্শন আৰু পৰ্যালোচনা কৰা।অমৃত সৰোবৰ মিছনৰ অধীনত জল সংৰক্ষণ আৰু গ্ৰাম্য উন্নয়নৰ লক্ষ্যৰে জিলাখনৰ ঝাৰগাঁৱস্থ কৃষি বিজ্ঞান কেন্দ্ৰৰ অমৃত সৰোবৰ প্ৰকল্প পৰিদৰ্শন কৰি প্ৰতিনিধি দলটোৱে ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰে। ইয়াৰ পিছতে সমিতিখনে নিৰ্মিয়মান মৰিগাঁও চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্যৰ পৰ্যালোচনা কৰে। ইয়াৰ পিছত সমিতিখনে অঞ্চলটোৰ পথ সংযোগ আৰু পৰিবহণ ব্যৱস্থা উন্নত কৰাৰ লক্ষ্যৰে অসম মালাৰ অধীনৰ পথ প্ৰকল্পবোৰৰ ওপৰত মনোযোগ দিয়ে। সেই উদ্দেশ্যে তেওঁলোকে পথ নিৰ্মাণস্থলীসমূহৰ বিশদ পৰিদৰ্শন কৰি কামৰ মানদণ্ড আৰু অগ্ৰগতিৰ মূল্যায়ন কৰে। পৰৱৰ্তী সময়ত দলটোৱে জলসম্পদ বিভাগে ৰূপায়ণ কৰা জলসম্পদ ব্যৱস্থাপনা আঁচনি পৰিদৰ্শন কৰিবলৈ দমাল অঞ্চল পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত অঞ্চলটোৰ পানীৰ অভাৱ আৰু বান প্ৰশমনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আঁচনিৰ কাৰিকৰী দিশ আৰু ফলপ্ৰসূতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। তদুপৰি সমিতিখনে আন এবাগাঁৱৰ অংগনবাড়ী কেন্দ্ৰটো পৰিভ্ৰমণ কৰে, য'ত সমিতিখনে শিশুৰ পুষ্টি, স্বাস্থ্যসেৱা, আৰু প্ৰাথমিক শিশু শিক্ষাৰ সৈতে জড়িত সেৱাসমূহকে ধৰি কেন্দ্ৰটোৰ কাৰ্য্যকলাপৰ সমস্ত দিশৰ মূল্যায়ন কৰে। সমিতীয়ে গ্ৰামাঞ্চলৰ মহিলা আৰু শিশুৰ কল্যাণ নিশ্চিত কৰাৰ ক্ষেত্ৰত এৱিউচিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।ভ্ৰমণৰ সামৰণি পৰে কৃষি বিভাগৰ অধীনস্থ য়াংলি ফাৰ্ম প্ৰডাক্টৰ কোম্পানী ত পৰিদৰ্শন কৰি, য'ত সমিতিখনে স্থানীয় কৃষকৰ সৈতে মত বিনিময় কৰে আৰু উৎপাদনশীলতা বৃদ্ধিৰ লক্ষ্যৰে কৃষি আঁচনি ৰূপায়ণৰ পৰ্যালোচনা কৰে। সৰ্বশেষত সমিতিখনৰ সভ্য সকলে জিলা আয়ুক্তৰ সভাকক্ষত এখনি পৰ্যালোচনা বৈঠকত মিলিত হয়। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ লগতে উক্ত বৈঠকত বিভিন্ন বিভাগৰ মূৰব্বী তথা জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। সকলোৱে উপস্থিতিত শপতৰ গ্ৰহণ কৰা হয়।

# 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান'ৰ গ্ৰেণ্ড অপেনিং

## ২৫ হাজাৰ যুৱক-যুৱতীক ৭৫ হাজাৰকৈ

**ই-সংবাদ, ৩০ ছেপ্টেম্বৰঃ** ২০২৬ চনৰ নিৰ্বাচনত যুৱ প্ৰজন্মৰ ভোটাৰক আকৰ্ষিত কৰিবলৈ ৰূপায়ন কৰা 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান' নামৰ আঁচনিখন আজি চৰকাৰে ব্যাপক ঢাল-ঢোল বজাই শুভাৰম্ভ কৰে। বিজেপি দলৰ নেতা আৰু ৰাজ্য প্ৰশাসনৰ তৎপৰতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা বাছ যোগে যুৱ হিতাধিকাৰীক খানাপাৰালৈ আনি যুৱ হিতাধিকাৰীৰ সন্মুখত এই আঁচনি মুকলি কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। দীৰ্ঘ জল্পনা-কল্পনাৰ অন্তত আজি ৰাজ্য চৰকাৰে অভিলাষী আঁচনি 'মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান'ৰ প্ৰথম কিস্তিৰ ধন আনুষ্ঠানিকভাৱে বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে পূৰ্বৰে পৰা উল্লেখ কৰি আহিছে যে ৰাজ্যখনৰ নিবনুৱা যুৱক-যুৱতীসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যৰে এই আঁচনি ৰূপায়ন কৰা হৈছে। এই পদক্ষেপৰ দ্বাৰা নিবনুৱা যুৱক-যুৱতীসকল আত্মনিৰ্ভৰশীল হ'ব পাৰিব বুলি কৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে ৰাজ্যৰ যুৱ প্ৰজন্মক আত্মনিৰ্ভৰশীলতাৰ বাটেৰে আগুৱাই নিয়াৰ দিশত আজি এক ঐতিহাসিক দিন। যুৱ-উদ্যোগীসকল লাভ কৰা পুঁজি উচিতভাৱে ব্যৱহাৰ কৰি আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ লগতে আন দহজনৰ বাবে আদৰ্শ হওক। জানিব পৰা মতে, আজি হিমন্ত বিশ্ব শৰ্মাই ২৫ হাজাৰ উদ্যমী যুৱক-যুৱতীক মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ প্ৰথম কিস্তিৰ ধন মুকলি কৰি দিয়ে। প্ৰথম কিস্তিৰ ধন দিয়াৰ প্ৰক্ৰিয়া মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ২০২১ চনত নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত অসমৰ যুৱক-যুৱতীসকলক দুটা প্ৰতিশ্ৰুতি দিছিলো। প্ৰথম প্ৰতিশ্ৰুতি আছিল ১ লাখ চৰকাৰী চাকৰি। দ্বিতীয়টো আছিল ২ লাখ যুৱ উদ্যোগীক উদগনিৰে ঔদ্যোগিক পৰিৱেশ সৃষ্টি কৰা। যোৱা ৩বছৰত আমি দুয়োটা প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ সক্ষম হৈছো। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ শিক্ষিত নিবনুৱা যুৱক-যুৱতীক আত্মনিৰ্ভৰশীল কৰি তোলাৰ উদ্দেশ্যৰে আৰম্ভ কৰা মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান হৈছে অসমত যুৱ-উদ্যোগীক সমৰ্থন কৰাৰ বৃহৎ। জানিব পৰা মতে, আজি মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত ২৫,২৩৮গৰাকী উদ্যোগী যুৱক-যুৱতীক প্ৰথম কিস্তিৰ ধন ৭৫ হাজাৰ টকাকৈ মুঠ ৫১০ কোটি টকা আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। একাউন্ট যোগে এই ধন লাভ কৰিছে যুৱ হিতাধিকাৰীসকলে। ২০২৩ চনৰ ২৩ ছেপ্টেম্বৰত এই আঁচনিৰ বাবে এটা প'ৰ্টেল মুকলি কৰিছিল মুখ্যমন্ত্ৰীয়ে।প'ৰ্টেলত ১,০৪,০৯১গৰাকী প্ৰাৰ্থীয়ে আবেদন কৰিছিল। ইয়াৰে আমি প্ৰথম পৰ্যায়ত ২৫,০০০গৰাকীক আঁচনিৰ বাবে নিৰ্বাচিত কৰা হয়। মুখ্যমন্ত্ৰীৰ ফেল' নিযুক্তিৰিয়া বিশেষজ্ঞৰ দ্বাৰা নিৰ্বাচিত উদ্যোগীসকলক ব্যৱসায় চলাবলৈ পৰামৰ্শ-নিৰ্দেশনা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এটা কথা স্পষ্টচকৈ ক'ব পাৰি যে পৰৱৰ্তী বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব ২০২৬ চনৰ এপ্ৰিল মাহত। নিৰ্বাচনলৈ মাজত মাথো প্ৰায় ১৭ মাহ। নিৰ্বাচনৰ প্ৰতি লক্ষ্য কৰি শাসকীয় বিজেপি দলে ভোটৰ অংক কৰা পৰিলক্ষিত হৈছে। ইপিনে ইয়াৰ দ্বাৰা ৰাজ্যখনৰ নিবনুৱা সমস্যা কিমান ভয়ানক সেয়াও স্পষ্ট হৈছে। সাধাৰণ এক আঁচনিৰ বাবে ১ লাখ নিবনুৱাই আবেদন কৰা বিষয়টোৱে নিবনুৱা সমস্যাৰ ভয়াবতাকে বুজাইছে।




মৰিগাঁৱৰ ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সভাপতি, সম্পাদকসহ আটাইকেইটা পদবীত NSUI প্ৰাৰ্থীৰ জয়লাভ

# ২০লক্ষ টকাৰ ড্ৰাগছসহ চাৰি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**ই-সংবাদ, শিৱসাগৰ, ৩০ ছেপ্টেম্বৰঃ** দুৰ্গা পূজাৰ পূৰ্বে উজনি অসমত আৰম্ভ হৈছে ড্ৰাগছ বিৰোধী অভিযান। আজি শিৱসাগৰত আৰক্ষীয়ে চলোৱা অভিযানত প্ৰয়াত কুৰি লক্ষ টকাৰ ড্ৰাগছ উদ্ধাৰ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। যোৰহাট দিশৰ পৰা ডিব্ৰুগড় অভিমুখী এএছ-০১-এআৰ-১১২২ ফক্সৱেগনৰ পল' নামৰ বিলাসী বাহনৰ পৰা ২০ লক্ষ টকাৰ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰগতি চিকিৎসালয়ৰ সমীপত বাহনখন আগভেটা দি ধৰিছিল আৰক্ষীয়ে। ১০টা চাবোনৰ কেছত ১২৩.৯৫ গ্ৰাম ড্ৰাগছসহ চাৰিজনক লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ড্ৰাগছৰ লগতে নগদ ধন, মোবাইলো জব্দ কৰে আৰক্ষীয়ে। উচ্চপদস্থ আৰক্ষী বিষয়াৰ দল,চক্ৰ বিষয়া ঘটনাস্থলীত উপস্থিত হৈছে। গোলাঘাটৰ পাৰভেজ হুছেইন, মৰিগাঁৱৰ নিৰ্জুল হুছেইন, অমিৰবান বিবি, ৰিজবিনা আহমেদক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

## নগাঁৱত এ আই ইউ ডি এফত অথন্তৰ

# জিলা সভাপতি হিচাপে মানি নলয় মতিউৰক, দলত্যাগ সহস্ৰাধিক দলীয় কৰ্মীৰ



**ই-সংবাদ, বেবেজীয়া, ৩০ ছেপ্টেম্বৰঃ** বিগত লোকসভা নিৰ্বাচনত শোচনীয় ফলাফল প্ৰদৰ্শনৰ পিছত এ আই ইউ ডি এফ দলটো পুনৰ গঠনেৰে শক্তিশালী কৰিবৰ বাবে কেন্দ্ৰীয় নেতৃত্বই পদক্ষেপ গ্ৰহন কৰিছে। কিন্তু কেন্দ্ৰীয় নেতৃত্বৰ এনে পদক্ষপ গ্ৰহনৰ আৰম্ভনিতেই কেনা লাগিছে নগাঁও জিলাত। পূৰ্বে শক্তিশালী স্থিতি থকা নগাঁও জিলাত শেহতীয়াভাবে কেন্দ্ৰীয় নেতৃত্বই দলটো শক্তিশালী কৰি তুলিবৰ বাবে মতিউৰ ৰহমান নামৰ এজন লোকক জিলা সমিতিৰ সভাপতি হিচাপে নিযুক্তি দিয়াৰ পিছতেই লাগিছে অথন্তৰ। কিয়নো মতিউৰ ৰহমানক সভাপতিৰ দায়িত্ব দিয়াৰ পিছতেই নেতৃত্বৰ সিদ্ধান্তত ক্ষোভিত হৈ পৰিছে জিলাখনৰ কেইবাজনো নেতাৰ লগতে বহু দলীয় কৰ্মী। আনকি সভাপতি হিচাপে মতিউৰ ৰহমানক গ্ৰহন নকৰি কেইবাজনো জিলা আৰু আঞ্চলিক পৰ্যায়ৰ নেতাৰ লগতে সহস্ৰাধিক দলীয় কৰ্মীয়ে প্ৰতিক্ৰিয়া ব্যক্ত কৰি সমজোৰাভাবে দলত্যাগৰ দ্বাৰা ক্ষোভৰ বৰ্হি প্ৰকাশ ঘটাইছে। তদুপৰি দল বিৰোধী কাৰ্য-কলাপত লিপ্ত থকাৰ বাবে দুবাৰকৈ দলে নিলম্বন কৰা আৰু দলৰ সিদ্ধান্তৰ বিৰুদ্ধে গৈ দুবাৰকৈ বিজেপি দলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলোৱা মতিউৰ ৰহমানক সভাপতিৰ দায়িত্ব দিয়াৰ বাবেই দলৰ পৰা আঁতৰি অহাৰ কথা স্পষ্টকৈ উল্লেখ কৰি এখন পত্ৰও দলৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি, উপ সভাপতি আৰু সাধাৰণ সম্পাদকলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। আচলতে, যোৱা ৪ ছেপ্টেম্বৰত কেন্দ্ৰগুৰিত জিলা কমিটি গঠনৰ কাৰণে এখন সাধাৰণ সভা অনুষ্ঠিত কৰা হৈছিল। উক্ত সভাত সভাপতি পদৰ বাবে পাঁচজনৰ নাম প্ৰস্তাৱ কৰা হৈছিল যদিও এনেদৰে এজন বিতৰ্কিত ব্যক্তিকহে সভাপতি হিচাপে নিযুক্ত দিয়াত দেওঁবাৰে জিলাখনৰ ধিং সমষ্টিৰ অন্তৰ্গত ধূপগুৰি পথাৰত কেন্দ্ৰীয় সমিতিৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি প্ৰায় সহস্ৰাধিক দলীয় কৰ্মীয়ে দলত্যাগৰ সিদ্ধান্ত গ্ৰহন কৰে। ইয়াৰ লগতে আবুল কাসেম সৰকাৰ, ফখৰ উদ্দিন, আমিনুল হক, মতিবুৰ ৰহমান, ফইজুল হক, আবু হানিফা, জাহিৰ উদ্দিনকে ধৰি কেইবাজনো জিলা আৰু আঞ্চলিক পৰ্যায়ৰ নেতাই পদত্যাগৰ লগতে প্ৰাথমিক সদস্যৰ পদও ত্যাগ কৰা বুলি জানিব পৰা গৈছে।

# বাৰপূজীয়াত সুৰাৰ বিপণীৰ প্ৰস্তুতিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ

**ই-সংবাদ, মৰিগাঁও, ৩০ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলাৰ বাৰপূজীয়াত নতুনকৈ এখন সুৰাৰ বিপনী খোলাৰ প্ৰস্তুতিৰ বিৰুদ্ধে অঞ্চলটোৰ একাংশ ৰাইজ প্ৰতিবাদ মুখৰ হৈ পৰিছে। প্ৰাপ্ত তথ্য মতে বাৰপূজীয়াৰ গনেশগুৰিত নতুনকৈ এখন সুৰাৰ বিপনী খোলাৰ বাবে ব্যাপক প্ৰস্তুতি আৰম্ভ কৰি আপত্তিবিহীন প্ৰমাণ পত্ৰ (এন অ' চি) প্ৰাপ্তিৰ বাবে সংশ্লিষ্ট ব্যৱসায়ী এগৰাকীয়ে মিকিৰভেটা আৰক্ষী থানাত যাৱতীয় তথ্য পাতি দাখিল কৰিছে। ইয়াৰে প্ৰতিবাদ জনাই অঞ্চলটোৰ বহুসংখ্যক ৰাইজে আজি মিকিৰভেটা আৰক্ষী থানাত সমূহীয়া স্বাক্ষৰ সম্বলিত এখন অভিযোগ পত্ৰ প্ৰদান কৰিছে। সুৰাৰ বিপনী খুলিব বিচৰা উক্ত এলেকাটোত এটা বৃহৎ সাৰ্বজনীন শ্ৰীশ্ৰী গনেশ মন্দিৰ থকাৰ উপৰিও শ্বহীদ তিলক ডেকা হাইস্কুল, এখন বিশাল খেলপথাৰ, এখন মজলীয়া বিদ্যালয়, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ দুই মহান শ্বহীদ ক্ৰমে তিলক ডেকা আৰু হেমৰাম পাতৰৰ পবিত্ৰ শ্বহীদ বেদী আৰু এটা ফিজিঅ' থেৰাপী চেন্টাৰ অৱস্থিত। এই স্থানত সুৰাৰ বিপনী খুলিলে সুৰাৰ অবাধ প্ৰচলনত সামাজিক পৰিৱেশ বিনষ্ট হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰি সুৰাৰ বিপনীখনৰ বাবে নথি নিদিবলৈ ৰাইজৰ আহ্বান।

# চমুৱাগাঁৱত প্ৰগতিশীল নাৰী সন্থাৰ ব্ল'ক সন্মিলন সম্পন্ন



**ই-সংবাদ, বেবেজীয়া, ৩০ ছেপ্টেম্বৰঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ চমুৱাগাঁওস্থিত শংকৰদেৱ চিত্ৰকলা বিদ্যালয়ত সোমবাৰে সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ দ্বিতীয় দলংঘাট ব্লক সন্মিলনখনি অনুষ্ঠিত হয়। সন্থাৰ দলংঘাট ব্লক সমিতিৰ প্ৰতিষ্ঠাপক নেত্ৰী প্ৰভাৱতী বৰদলৈয়ে সন্থাৰ পতাকা উত্তোলনেৰে সন্মিলনৰ আৰম্ভণি কৰে। 'কথা দি কথা ৰাখক-আমাৰ প্ৰাপ্য আদায় দিয়ক, নাৰীৰ নিৰাপত্তা সুনিশ্চিত কৰক' আহ্বানেৰে অনুষ্ঠিত সন্মিলনৰ মুকলি সভাত সভাপতিত্ব কৰে উমা পাটৰ আৰু অনীতা দাসে। অৱসৰপ্ৰাপ্ত অধ্যক্ষ মৃদুপৱন বৰাই সন্মিলনৰ উদ্বোধনী ভাষণত কয় যে--মহাকাশৰ পৰা গ্ৰামাঞ্চললৈকে উন্নয়নৰ প্ৰশ্নত মহিলাৰ অলেখ অবদান আছে। মহিলা সকলৰ কঠোৰ শ্ৰম আৰু আত্মত্যাগৰ ফচলেই হ'ল আজিৰ আধুনিক ভাৰতৰাষ্ট্ৰ। কিন্তু আজি আমাৰ দেশ তথা ৰাজ্যত নাৰীৰ মৰ্যাদা আৰু নিৰাপত্তা পদে পদে লুণ্ঠিত হৈছে। বিজেপিৰ শাসনকালত এই প্ৰৱণতা অধিক বৃদ্ধি পাইছে বুলি অভিযোগ তুলি তেওঁ কয় যে--বিজেপিয়ে মনু সংহিতাক আৰু ধৰ্মীয় শাসনক প্ৰতিনিধিত্ব কৰে। ইয়াৰ উদাহৰণ হৈছে বিলকিছ বানুৰ ধৰ্ষণকাৰীক সম্বৰ্ধনা জনোৱা। সভাত সদৌ ভাৰত কৃষি আৰু গ্ৰামীণ শ্ৰমিক সন্থাৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য মোস্তাফা চেলিম আহমেদে প্ৰদান কৰা ভাষণত নাৰী সমাজ আজি যেনেকৈ নিৰাপত্তাহীন, তেনেকৈ আৰ্থিকভাৱেও নিৰাপত্তাহীন হৈ পৰিছে বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়াই। সদৌ অসম গ্ৰামীণ শ্ৰমিক সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অৰূপ কুমাৰ মহন্তই তেখেতৰ বক্তব্যত কয় যে--হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন বিজেপি চৰকাৰে মহিলাক মাইক্ৰ'ফাইনেঞ্চৰ ঋণমুক্তি, অমৃত বৃক্ষ ৰোপণৰ নামত দহ হেজাৰ টকা, লাখ টকীয়া বাইদেউ আদি আঁচনিৰ নামত যি প্ৰতিশ্ৰুতি দিছিল সেয়া ৰূপায়ন কৰা নাই। আকৌ ৰেচন কাৰ্ড থকা পৰিয়াল সমূহলৈ দুই লাখকৈ টকা দিয়াৰ আঁচনি আনিছে। আনফালে স্মাৰ্ট মিটাৰৰ দ্বাৰা দুখীয়া ৰাইজৰ লগতে সাধাৰণ মধ্যবিত্ত ৰাইজৰ ওপৰতো মাধমাৰ শুধাইছে। বৰ্তমান চৰকাৰখন প্ৰতাৰণা, প্ৰৱঞ্চনা, সাম্প্ৰদায়িক বিভাজন আৰু আম্বানী-আদানীৰ জেপত থকা চৰকাৰ বুলি তেওঁ কটাক্ষ কৰে। গ্ৰামীণ শ্ৰমিক সন্থাৰ মাধৱ চন্দ্ৰ বৰা, স্বপন হাজৰিকা, মহিলা নেত্ৰী মৃদুলা দাস আৰু বুলি বৰদলৈয়েও চমু বক্তব্য প্ৰদান কৰা সভাত চিম্পী শিখা বৰদলৈ আৰু প্ৰীতি কাকতিৰ সংগীবৃন্দই গীত পৰিৱেশন কৰে।




ড০ মামুন ইমদাদুল হক চৌধাৰীৰ ‘ৰাজনীতিৰ ৰসায়ন’, প্ৰাক্তন আৰক্ষী বিষয়া দিলীপ বৰাৰ ‘সময় আৰু সমাজ’, জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামীৰ ‘নকৈ নোৰাৰো ফটা মুখ’ গ্ৰন্থ উন্মোচন, প্ৰেছ ক্লাৱত সোমবাৰে

# একে মঞ্চত তিনিখন গ্ৰন্থ উন্মোচন

**ই-সংবাদ, ৩০ ছেপ্টেম্বৰঃ** নাওবৈচাৰ প্ৰাক্তন বিধায়ক তথা আপ নেতা ড০ মামুন ইমদাদুল হক চৌধাৰী, প্ৰাক্তন আৰক্ষী বিষয়া বিষয়া দিলীপ বৰা আৰু জ্যেষ্ঠ সাংবাদিক ৰণেন কুমাৰ গোস্বামীৰ একোখনকৈ গ্ৰন্থ আজি গুৱাহাটী প্ৰেছ ক্লাৱত উন্মোচন কৰা হয়। আড়ম্বৰপূৰ্ণ অনুষ্ঠানত তিনিখনকৈ গ্ৰন্থ কেইবাগৰাকী বিশিষ্ট লোকে উন্মোচন কৰে। তিনিখন গ্ৰন্থত তিনিগৰাকী বিশিষ্ট লোকে অসমৰ সমাজ জীৱন, ৰাজনীতিৰ উত্থান-পতন, ৰাজনীতিৰ ইতিহাস আদি সন্নিৱিষ্ট কৰা বুলি জানিব পৰা গৈছে। তত্বগধুৰ গ্ৰন্থকেইখন অতি কষ্ট কৰি লিখি উলিয়াইছে তিনি লিখকে। গ্ৰন্থকেইখনে পাঠকৰ সমাদৰ পাব বুলি আশা প্ৰকাশ কৰে উন্মোচকে।

## ঘটনাৰ সন্দৰ্ভত উচিত তদন্তৰ দাবী বিধায়ক নাজাৰৰ

# মৰিগাঁৱৰ চৰকাৰী কৰ্মচাৰীক আক্ৰমণৰ সৈতে জড়িত নথকাৰ দাবী

**ই-সংবাদ, লাহৰীঘাট ৩০ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালকক কাৰ্যালয়তে আক্ৰমণ ঘটনাৰ সৈতে নিজৰ নাম সাঙোৰ খাই পৰাত লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।উল্লেখ্য যে জিলাখনৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ সহকাৰী সঞ্চালক গৰাকীক ছুৰিকাঘাতৰ অভিযোগত লাহৰীঘাট সমষ্টিৰ বিধায়ক গৰাকীৰ বিৰুদ্ধে ইতিমধ্যে গোচৰো পঞ্জিয়ন হৈছে।এই সন্দৰ্ভত যোৱা নিশা লাহৰীঘাটতৰ ভূৰাগাঁৱৰ ডাক বংলাত সংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰে।উল্লেখ্য যে ২৬ ছেপ্টেম্বৰৰ সন্ধিয়া সহকাৰী সঞ্চালক মতিনুৰ ৰহমানক নিজ কাৰ্যালয়তে জিলাখনৰ নগাবন্ধাৰ খাইৰুল ইছলাম নামৰ লোক এজনে ছুৰিকাঘাত কৰি আহত কৰাৰ অভিযোগ উঠিছিল ।এই সমগ্ৰ ঘটনাটো বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰৰ নেতৃত্বত হোৱা অভিযোগ তুলিছিল যোগান বিভাগৰ সহকাৰী সঞ্চালক মতিনুৰ ৰহমানে। আনকি ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে মৰিগাঁও থানাত চাৰিজনৰ বিৰুদ্ধে গোচৰো তৰিছে যোগান বিষয়া মতিনুৰ ৰহমানে। গোচৰটোৰ মূল আচামী বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ আৰু আন তিনি আচামী ক্ৰমে খাইৰুল ইছলাম, আব্দুল মতিন আৰু দিলদাৰ হুছেইন।উল্লেখ্য যে মৰিগাঁও সদৰ থানাত ভাৰতীয় দণ্ডবিধি ১২৬(২)/১২৭(২)/২২৪/১২১(২)/১১৮(২)৩৫১(২)/৩৬১(৩)/৬২(২)(এ)



বিএনএছ ধাৰাৰ অধীনত ২৫৭/২৪ নম্বৰত এটি গোচৰটো পঞ্জিয়ন কৰি মৰিগাঁও আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আনহাতে গোচৰটোৰ অন্যতম আচামী খাইৰুল ইছলামক সিদিনাই মৰিগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে যোগান বিভাগৰ সহকাৰী সঞ্চালক গৰাকীৰ সৈতে বিধায়ক নাজাৰৰ দীৰ্ঘদিনৰ পৰা চলি আহিছিল শীতল যুদ্ধ।বিধায়ক গৰাকীয়ে কেবাবাৰো যোগান বিষয়া জনৰ বহু দুৰ্নীতিৰ সন্দৰ্ভত সদনত উত্থাপন কৰিছিল বহু প্ৰশ্ন।সেই অনুসৰি অসম চৰকাৰৰ যোগান বিভাগে ১৮ ছেপ্টেম্বৰত সহকাৰী সঞ্চালক মতিনুৰ ৰহমানক বদলিৰ নিৰ্দেশ দিছিল। বদলিৰ নিৰ্দেশৰ এসপ্তাহৰ পাছত এই ছুৰিকাঘাতৰ ঘটনাটো সংঘটিত হয়।ইফালে এই সমগ্ৰ ঘটনাটো মনেসজা, উদ্দেশ্য প্ৰণোদিত আৰু বিধান সভাত প্ৰশ্ন উত্থাপন কৰা বাবেই ক্ষুন্ন হৈ সহকাৰী সঞ্চালক মতিনুৰে এনে নিকৃষ্ট ষড়যন্ত্ৰত নামা বুলিও অভিযোগ কৰে বিধায়ক আচিফ নাজাৰে। ইফালে সিদিনা খাইৰুল ইছলাম নামৰ লোকজনক মতিনুৰে নিজে মাতি নি এই নাটক ৰচনা কৰে বুলি দাবী কৰে।আনহাতে সহকাৰী সঞ্চালক গৰাকীয়ে নিজে নগাবন্ধা সমবায় সমিতিখন নিলম্বন কৰি পিছত পুনৰ সেই নিলম্বন উঠাই লোৱাৰ বাবে সমবায় খনৰ সভাপতি তথা গ্ৰেপ্তাৰ কৰা খাইৰুল ইছলামৰ শহুৰ আব্দুল মতিনৰ পৰা লক্ষাধিক টকা লোৱা বুলিও বিধায়ক গৰাকীয়ে অভিযোগ তোলে। তদুপৰি হত্যাৰ চেষ্টাৰে যি খন চুৰি নিয়া বুলি সহকাৰী সঞ্চালক গৰাকীয়ে দাবী কৰিছে সেয়াওএ হাস্যকৰ বুলি কয়। ইফালে ধৃত খাইৰুল ইছলাম কংগ্ৰেছৰ বিধায়ক গৰাকীৰ ঘনিষ্ঠ বুলি সহকাৰী সঞ্চালক গৰাকীয়ে যি অপপ্ৰচাৰ চলাইছে সেইয়া সম্পূৰ্ণ মিছা, খাইৰুল ইছলাম এজন শাসকীয় বিজেপি দলৰ কৰ্মী। সেইদৰে খাইৰুল ইছলামৰ শহুৰ আব্দুল মতিনো এগৰাকী বিজেপি দলৰ কৰ্মী বুলি বিধায়ক গৰাকীয়ে সংবাদ মাধ্যমৰ আগত তথ্য দাঙি ধৰে। ইফালে সমবায় সমিতিৰ সভাপতি আব্দুল মতিনক যোৱা লোক সভা নিৰ্বাচনৰ আগমুহূৰ্তত সহকাৰী সঞ্চালক মতিনুৰ ৰহমানেই কৌশল কৰি সেই সময়ত বিজেপি দলত যোগদান কৰাইছিল আৰু বিজেপিত যোগদান নকৰিলে তেওঁৰ সমবায় সমিতিৰ সভাপতি পদটোও নাথাকিব বুলি সহকাৰী সঞ্চালক গৰাকীয়ে ভাবুকি দিয়াৰো আন এক গুৰুতৰ অভিযোগ তুলিছে বিধায়ক গৰাকীয়ে। আনহাতে বিধায়ক গৰাকীৰ বিৰুদ্ধে সহকাৰী সঞ্চালক গৰাকীয়ে শাৰিৰীক আৰু মানসিক নিৰ্যাতন চলাই অহা অভিযোগো ভিত্তিহীন বুলি কয় বিধায়ক নাজাৰে ।সেয়েহে বিধায়ক গৰাকীয়ে এই সমগ্ৰ ঘটনাটোৰ সন্দৰ্ভত এক উচিত তদন্ত কৰি দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈকো দাবী জনায়।

## শেষ পৃষ্ঠা

**ব'লব'ম এফ চিৰ জয়**

# মৰিগাঁৱত 'এ' ডিভিজন ফুটবল লীগ আৰম্ভ



**ই-সংবাদ, মৰিগাঁও,৩০ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত আজিৰে পৰা ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গুনেমাই বৰা আৰু ছাজিৰা বেগম সোঁৱৰণী প্ৰাইজমাণী 'এ' ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত মৰিগাঁও ব'লব'ম এফ চিয়ে সংঘবদ্ধ খেল প্ৰদৰ্শন কৰি বৰিগাওঁ ইয়ং স্পৰ্টিং ক্লাবক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইন্ট অৰ্জন কৰে । ব'লবম এফ চিৰ হৈ নাৰ্ছন বড়ো আৰু আনছায় বড়োয়ে খেলৰ প্ৰথমাৰ্ধত একোটাকৈ গ'ল কৰে। ইফালে বিয়লিৰ ভাগত গড়মাৰী ৰাইনুজ ক্লাৱ আৰু দলবাৰী যুৱকল্যান সংঘৰ মাজত অনুষ্ঠিত দ্বিতীয়খণ খেল গ'লশূন্যভাৱে ড্ৰ হয়। মৰিগাঁও জিলা ক্ৰীড়া সন্থৰ সাধাৰণ সম্পাদক জিতু বৰদলৈৰ তত্বাৱধানত খেলৰ পূৰ্বে আয়োজিত এক চমু উদ্বোধনী অনুষ্ঠানত মৰিগাঁও সমষ্টিৰ বিধায়ক তথা জিলা ক্ৰীড়া সন্থৰ সভাপতি ৰমাকান্ত দেউৰীয়ে খেলুৱৈসকলক উদ্দেশ্যি এটি শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। বিপুল সংখ্যক ফুটবল প্ৰেমী দৰ্শকৰ উপস্থিতিত অনুষ্ঠিত আৰম্ভণি অনুষ্ঠানটোত জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি ক্ৰমে ৰমেন নাথ, মুনীন্দ্ৰ বৰা, নিপুণ বৰাৰ লগতে যুটিয়া সম্পাদক নাছিৰউদ্দিন আহমেদ, সহকাৰী সম্পাদক সমুদ্ৰ নাৰায়ণ মেধী আৰু ফুটবল সম্পাদক অপূৰ্ব বৰদলৈ সহিতে ভালেসংখ্যক ক্ৰীড়া সংগঠক উপস্থিত থাকে। উল্লেখ্য যে, আজিৰ খেল দুখন পৰিচালনা কৰে অসম ফুটবল সন্থাৰ স্বীকৃতি প্ৰাপ্ত ৰেফাৰী ক্ৰমে মিন্টু বৰদলৈ, অজিত নাথ, ধৰণী ৰাজবংশী আৰু মানিক কাকতিয়ে।

# অসম সাহিত্য সভাৰ মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আলোচনাচক্ৰ

**ই-সংবাদ, মৰিগাঁও,৩০ ছেপ্টেম্বৰঃ** অসম সাহিত্য সভাৰ মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ উপ-সমিতি আৰু মৰিগাঁও জিলা সাহিত্য সভাৰ গৱেষণা উপ-সমিতিৰ যৌথ উদ্যোগত আজি জিলাখনৰ চৰাইবাহী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত 'অসমীয়া ভাষা-সংস্কৃতিৰ উত্তৰণত দৰঙৰ পৰিৱেশ্য কলাৰ ভূমিকা' বিষয়ত এখন মনোজ্ঞ আলোচনাচক্ৰ অনুষ্ঠিত হয়। মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনাচক্ৰখনত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° দিপামণি বৰুৱা দাসে কয় যে, প্ৰতিটো অঞ্চলৰ লোক সংস্কৃতি হৈছে সেই অঞ্চলৰ জীৱন ধাৰণৰ মাপকাঠি। মৰিগাঁও জিলাও স্বকীয় লোক সংস্কৃতিৰে চহকী এখন ঐতিহ্যমণ্ডিত জিলা বুলি তেঁও মন্তব্য কৰে। চৰাইবাহী মহাবিদ্যালয়ৰ গুণগত মান নিৰূপন কোষৰ সহযোগত আৰু চৰাইবাহী সাহিত্য সভাৰ আতিথ্যত অনুষ্ঠিত এই আলোচনাচক্ৰ খনিৰ আৰম্ভণিতে চৰাইবাহী মহাবিদ্যালয়ৰ উপাধ্যক্ষ মাধৰাম কাকতিয়ে এগছি বন্তি প্ৰজ্বলন কৰাৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰীবৃন্দ আৰু চৰাইবাহী সাহিত্য সভাৰ শিল্পী সকলে চিৰ চেনেহী মোৰ ভাষা জননী শীৰ্ষক আৰম্ভণি গীত পৰিৱেশন কৰে। ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰম আৰু ব্যৱহাৰিক দিশত যোগাত্মক প্ৰভাৱ পেলোৱাৰ উদ্দেশ্যে ধাৰ্য বিষয়টিৰে আয়োজিত এই অনুষ্ঠানটিৰ উদ্বোধন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ গৱেষণা উপ-সমিতিৰ সভাপতি ড° খগেন শৰ্মাই। আনহাতে চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কমল চন্দ্ৰ নাথে 'আমাৰ চৰাইবাহী' শীৰ্ষক কাব্যিকতাৰে আদৰণি ভাষণ আৰু স্বৰচিত তিনিখন গ্ৰন্থৰ একোটিকৈ টোপোলাৰে অতিথি সকলক আদৰণি জনায়। আলোচনাচক্ৰখনত অসম সাহিত্য সভাৰ মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক হেমন্ত কলিতা বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰি অসমত ৰাজ্যভাষা আইন তৎকালে কাৰ্যকৰী হোৱাৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ অন্তৰ্গত প্ৰতিটো শাখা সভা আৰু প্ৰতিখন জিলা সাহিত্য সভাক সক্ৰিয় সহযোগ আগবঢ়াবলৈ আহ্বান জনায়। মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ উপ সমিতিৰ সহযোগী ৰূপা শৰ্মাই আঁত ধৰা এই অনুষ্ঠানটোত মৰিগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ড০ অচ্যুত কুমাৰ দাস, গৱেষণা উপ-সমিতিৰ সদস্য ড০ বন্দনা বৰুৱা আৰু গীতাঞ্জলি খাটনিয়াৰ সহ বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অভ্যাগত অতিথি সকলক বিশেষ ভাৱে সম্বৰ্দ্ধনা জনায় চৰাইবাহী শাখা সাহিত্য সভাৰ হৈ সভাপতি জিতুমনি বৰদলৈ আৰু জিলা সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক যশোৱন্ত নাথে। আনহাতে অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাত সহযোগ কৰা সদৌটিলৈ শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ গুণগত মান নিৰূপণ কোষৰ সমন্বয়ক ড° চক্ৰধৰ ডেকাই।

# গুৱাহাটীত খাদ্য সুৰক্ষা-মানক কৰ্তৃপক্ষৰ প্ৰতিনিধিৰ সৈতে কেইবাটাও সংস্থাৰ বিশেষ বৈঠক সম্পন্ন

**ই-সংবাদ, ৩০ ছেপ্টেম্বৰঃ** আজি গুৱাহাটীৰ তাজ ভিভাণ্টা হোটেলত ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষৰ বিষয়-ববীয়াৰ উপস্থিতিত অসমৰ কেঁচা চাহপাত তথা খাদ্যৰ গুণগত মাণদণ্ড সন্দৰ্ভত বিশেষ বৈঠক অনুষ্ঠিত হয়। ভাৰতীয় খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষ কাৰ্যবাহী সঞ্চালক ইনোশী শৰ্মাৰ উপস্থিতিত অনুষ্ঠিত বৈঠকত খাদ্য সুৰক্ষা আইন আৰু অসমৰ চাহপাতৰ গুণগত মাণদণ্ড সন্দৰ্ভত আলোচনা কৰা হয়। গুৰুত্বপূৰ্ণ বৈঠকত এনইটিএৰ উপদেষ্টা বিদ্যানন্দ বৰকাকতি, এবিএলটিএমএৰ চন্দ্ৰজিৎ বৰুৱা, আশ্লাম খান, টাটা গ্ৰুপৰ পুতুল বৰা, নৰ্থ ইষ্ট কনফেডাৰেচন স্মল টি গ্ৰেয়াৰ্ছ এচোছিয়েচনৰ বিনোদ বুঢ়াগোঁহাই, উজনি অসম ক্ষুদ্ৰ চাহ ৰোপণকাৰী সংস্থাৰ দিগন্ত হাজৰিকা, অল বো স্মল টি গ্ৰাৱাৰচ এছ'চিয়েচনৰ তৰুণ মুছাহাৰী আৰু ক্ষুদ্ৰ চাহ খেতিয়কৰ প্ৰতিনিধি উপস্থিত থাকে। বৈঠকত সকলো সংগঠনে নিজ নিজ দাঙি ধৰে। নতুন বছৰৰ আৰম্ভণিৰ পৰা কেঁচা চাহপাতত বিষাক্ত দ্ৰব্য ব্যৱহাৰ কৰা যাতে নহয় তাক লৈ গুৰুত্ব প্ৰদান কৰা হয়। চাহ বাগিচা, উদ্যোগৰ সৈতে জড়িত সংস্থাসমূহক ক্ষুদ্ৰ চাহ খেতিয়কৰ মাজত সজাগতা আনিবলৈ অসমৰ প্ৰতিখন জিলাতে সজাগতা সভা অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত প্ৰতিখন জিলাতে কেঁচা চাহপাতৰ পৰীক্ষাগাৰ স্থাপন কৰা জোৰ দিয়া বুলি নৰ্থ ইষ্ট কনফেডাৰেচনৰ সচিব প্ৰধান বিনোদ বুঢ়াগোঁহায়ে জানিবলৈ দিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
8876490887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)